सत्यमेव जयते
Government of Assam

# ব্যয়ৰ লেখানুদান

# অসম বাজেট

## ২০২৬- ২৭



বাজেট ভাষণ

**শ্ৰীমতী অজন্তা নেওগ**

বিত্তমন্ত্ৰী, অসম চৰকাৰ

১৭ ফেব্ৰুৱাৰী, ২০২৬

*অধ্যক্ষ মহোদয়,*

(১) পাঁচ বছৰ পূৰ্বে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্বত মই অসমৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰী হিচাপে আমাৰ ঐতিহাসিক যাত্ৰা আৰম্ভ কৰিছিলো। মই এই চৰকাৰৰ পাঁচখন পূৰ্ণাংগ বাজেট দাখিল কৰিবলৈ পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা।

(২) পণ্ডিত দীনদয়াল উপাধ্যায়দেৱৰ একান্ত মানৱতাবাদ আৰু ড° শ্যামা প্ৰসাদ মুখাৰ্জীদেৱৰ সাংস্কৃতিক জাতীয়তাবাদৰ গভীৰ আদৰ্শৰে পৰিচালিত হৈ আমাৰ চৰকাৰে এখন অটল, অবিচল আৰু অগ্ৰগামী অসমৰ বীজ ৰোপণ কৰিবলৈ প্ৰয়াস কৰিছিল। লক্ষ্য আছিল ভূমিপুত্ৰ, খিলঞ্জীয়াৰ আশা-আকাংক্ষা পূৰণেৰে বিকশিত আৰু আত্মনিৰ্ভৰশীল অসমৰ ইতিহাসত নতুন অধ্যায় সৃষ্টি কৰা।

(৩) এগৰাকী মাতৃৰ মমতাভৰা অন্তৰেৰে ক'ভিডসৃষ্ট সংকটৰ মুহূৰ্তত মই প্ৰথমখন বাজেট দাখিল কৰিছিলো। অসমৰ অৰ্থনৈতিক অৱস্থাত বিস্তৰ প্ৰভাৱ পেলোৱা আৰু সৰ্বসাধাৰণ লোকৰ জীৱনযাত্ৰা কল্পনাতীতভাৱে দুৰ্বিষহ কৰি তোলা সেই দুৰ্যোগপূৰ্ণ সময়ছোৱাত মোৰ লক্ষ্য আছিল, আমাৰ ভৱিষ্যতৰ বাবে এক সবল ভেটি গঢ়ি তোলাত এটা স্নেহস্পৰ্শ প্ৰদান কৰা।

(৪) মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াসৰ দৰ্শনক আগস্থান দি এখন বিকশিত আৰু আত্মনিৰ্ভৰশীল অসম গঢ়াৰ দৃঢ় সংকল্পেৰে ৰূপান্তৰৰ যাত্ৰাত আমাৰ চৰকাৰে খোজ দিছিল। অসমীয়াৰ পৰিচয়, জাতীয় সভ্যতা, ভাষিক ঐতিহ্য আৰু জাতি-মাটি-ভেটিৰ ওপৰত থকা ভূমিপুত্ৰ খিলঞ্জীয়াৰ চিৰন্তন অধিকাৰক নীতি-নিৰ্ধাৰণত আমি প্ৰাধান্য দিছিলো।

(৫) আজি মই এই পৱিত্ৰ সদনত কেৱল ব্যয়ৰ অনুমোদনৰ বাবে নহয়, বৰঞ্চ এখন ৰূপান্তৰৰ অসমৰ কথা ক'বলৈ উপস্থিত হৈছো। বিগত পাঁচ বছৰৰ

এই যাত্ৰাই আমাক সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ অমৰ সপোনৰ কথা সোঁৱৰাই দিয়ে। দশক আগতেই তেওঁ গাই গৈছিল—

*জিলিকাব লুইতৰে পাৰ*
*এন্ধাৰৰ ভেটা ভাঙি*
*প্ৰাগজ্যোতিষত বয়*
*জেউতি নিজৰাৰে ধাৰ।*

মই বিনম্ৰতাৰে ক'ব বিচাৰিছো যে সেই গীতটিক বাস্তৱ ৰূপ দিয়াৰ দিশত আমি অবিৰতভাৱে আগবাঢ়িছো। আজি অন্ধকাৰৰ ঠাই লৈছে এখন বিকশিত অসমে য'ত প্ৰতিজন নাগৰিক আমাৰ বিকাশ যাত্ৰাৰ সহযাত্ৰী।

(৬) মই প্ৰথমতেই আমাৰ মাৰ্গদৰ্শক মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াক কৃতজ্ঞতা জ্ঞাপন কৰিছো। অসমৰ প্ৰতি তেখেতৰ বিশেষ গুৰুত্ব আৰু অবিৰাম সমৰ্থনে আমাৰ ৰাজ্যখনক বিকশিত অসমৰ পথলৈ আগুৱাই নিছে।

(৭) ৰাইজৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰা এই লক্ষ্যসমূহ পূৰণৰ যাত্ৰাত আমাক সফলভাৱে নেতৃত্ব প্ৰদান কৰা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মই আন্তৰিক কৃতজ্ঞতা জনাইছো।

(৮) মই মিত্ৰজোঁটৰ সকলো অংশীদাৰক আন্তৰিক ধন্যবাদ জনাইছো। বিৰোধী আসনত বহি থকা মোৰ সতীৰ্থসকলকো মই ধন্যবাদ জনাইছো আৰু চৰকাৰখনলৈ দিয়া নিৰন্তৰ সমৰ্থন আৰু দিহা-পৰামৰ্শৰ বাবে বিশেষভাৱে অসমৰ জনগণৰ প্ৰতি কৃতজ্ঞতা জনাইছো।

**অৰ্থনৈতিক ৰূপান্তৰ (আৰ্থিক নৱোদয়)**

(৯) মহোদয়, যোৱা পাঁচ বছৰত লাভ কৰা উল্লেখযোগ্য অগ্ৰগতিৰ ভেটি হৈছে বিচক্ষণ বিত্তীয় ব্যৱস্থাপনা, উন্নত নীতিৰ অনুসৰণ আৰু ৰাজ্যৰ নিজা সম্পদ সংগ্ৰহ শক্তিশালী কৰাৰ বাবে কৰা অবিৰত প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীলতা।

(১০) মই এই পৱিত্ৰ সদনক জনাবলৈ পাই গৌৰৱবোধ কৰিছো যে, শেহতীয়াকৈ দেখা দিয়া নিম্নগামী ধাৰাক প্ৰতিহত কৰি যোৱা পাঁচ বছৰত অসমে বিত্তীয়

ব্যৱস্থাপনাত দেখুওৱা অসাধাৰণ পাৰদৰ্শিতাৰ প্ৰতি স্বীকৃতি প্ৰদান কৰি ষষ্ঠদশ বিত্ত আয়োগে (16th Finance Commission) অসমৰ পাৰস্পৰিক অংশীদাৰিত্ব ৩.২৫৮ শতাংশলৈ বৃদ্ধি কৰিছে। ই অসমৰ স্থিতি যথেষ্ট উন্নত কৰিছে, যাৰ ফলত অহা বৰ্ষত অসমলৈ ৫০,০০০ কোটি টকাৰ অধিক কেন্দ্ৰীয় পুঁজিৰ অভুতপূৰ্ব হস্তান্তৰণ হ'বগৈ।

(১১) বিশ্ব অৰ্থনীতি প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ সময়তে অসমে ভাৰতৰ প্ৰগতিৰ ইঞ্জিন হিচাপে আত্মপ্ৰকাশ কৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ শেহতীয়া মূল্যায়ন অনুসৰি অসম ভাৰতৰ ভিতৰতে দ্ৰুততম বিকাশশীল ৰাজ্য হিচাপে পৰিগণিত হৈছে। স্থিৰ মূল্যৰ হিচাপত ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ২০১৯-২০ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৪৫ শতাংশ বৃদ্ধি পায়। এই বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় গড় ২৯ শতাংশৰ তুলনাত যথেষ্ট বেছি।

(১২) বৰ্তমানৰ মূল্য অনুসৰি আমাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি) ২০২১-২২ বিত্তীয় বৰ্ষত ৪,১০,৭২৪ কোটিৰ পৰা ১৭ শতাংশতকৈ অধিক উৎসাহজনক বৃদ্ধিৰ হাৰ প্ৰতিফলিত কৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭,৪৫,২৯৩ কোটিলৈ বৃদ্ধি হ'ব বুলি অনুমান কৰা হৈছে। মই জনাবলৈ পাই সুখী যে অসমৰ অৰ্থনৈতিক জৰীপে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১৬.৯৩ শতাংশ বৃদ্ধিৰ হাৰ প্ৰক্ষেপ কৰিছে আৰু ৰাজ্যিক ঘৰুৱা উৎপাদন ৮,৭১,৪৫১ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে।

(১৩) এই বৃদ্ধিৰ গতিবেগ বৰ্তাই ৰাখি ২০৩০ চনৰ ভিতৰত ৰাজ্যখন দহ লাখ কোটি টকাৰ (এক মিলিয়ন কোটি) অৰ্থনীতিলৈ পৰিণত কৰাৰ বাবে দিয়া আমাৰ প্ৰতিশ্ৰুতিতকৈ বহু আগবাঢ়ি ২০২৮ চনৰ ভিতৰতে এই লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা দেখা গৈছে।

(১৪) এই অৰ্থনৈতিক সম্প্ৰসাৰণে আমাৰ জনসাধাৰণৰ বাবেও অধিক আয়ৰ বাট মুকলি কৰিছে। মই গৌৰৱ অনুভৱ কৰিছো যে অসমৰ জনমূৰি আয় বৰ্তমানৰ মূল্যত দুগুণতকৈও অধিক বৃদ্ধি পাই ২০২০-২১ বিত্তীয়

বৰ্ষৰ ৮৬,৯৪৭ কোটিৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষত ১,৮৫,৪২৯ কোটি টকা হৈছেগৈ, যিয়ে ১১৩ শতাংশ বৃদ্ধি প্ৰতিফলিত কৰিছে।

(১৫) ২০২০-২১ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ভিতৰত আমাৰ জনমূৰি আয়ৰ ৮৩ শতাংশ বৃদ্ধিয়ে আমাক জনমূৰি আয়ৰ ক্ষেত্ৰত দেশৰ ভিতৰতে আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা ৰাজ্য হিচাপে পৰিগণিত কৰিছে। ইয়াৰ দ্বাৰা স্পষ্টভাৱে প্ৰমাণিত হৈছে যে আমাৰ প্ৰগতি কেৱল অৰ্থনৈতিক প্ৰতিবেদনতে আবদ্ধ নহয়, ই মানুহৰ জীৱনকো স্পৰ্শ কৰিছে।

(১৬) আমাৰ অৰ্থনৈতিক বৃদ্ধিৰ আটাইতকৈ উল্লেখযোগ্য সূচক হৈছে আমাৰ নিজা কৰ ৰাজহ, যিটো যোৱা পাঁচ বছৰত গড়ে ১৩ শতাংশতকৈ অধিক হাৰত বৃদ্ধি পাইছে। সামগ্ৰিকভাৱে ২০২০-২১ বিত্তীয় বৰ্ষৰ ১৭,১৩৪ কোটি টকাৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ ৭৫ শতাংশ বৃদ্ধিৰে নিজা কৰ ৰাজহ সংগ্ৰহ ৩০,০৫২ কোটি টকা হৈছে।

(১৭) ঐতিহাসিকভাৱে উত্তৰ-পূবৰ বহু ৰাজ্যই কেন্দ্ৰীয় মঞ্জুৰি আৰু সাহায্য অনুদানৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰি আহিছে। যিহেতু আমাৰ নিজা উৎসৰ ৰাজহ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ মুঠ ৰাজহৰ ৩০ শতাংশৰ তুলনাত বৃদ্ধি পাই এতিয়া ৩৭ শতাংশ হৈছে, সেয়েহে ই কেন্দ্ৰীয় অনুদানৰ ওপৰত আমাৰ নিৰ্ভৰশীলতা হ্ৰাস কৰিছে আৰু এক শক্তিশালী, আত্মনিৰ্ভৰশীল আভ্যন্তৰীণ অৰ্থনীতি নিশ্চিত কৰিছে।

(১৮) শক্তিশালী ৰাজহ আহৰণ আৰু উন্নত বিত্তীয় ব্যৱস্থাপনাৰ ফলত ৰাজহুৱা ব্যয়ৰ পৰিসৰ আৰু ফলপ্ৰসূতা যথেষ্ট সম্প্ৰসাৰিত হৈছে। আমাৰ বাজেটৰ আকাৰ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ৭২,৫৭৩ কোটি টকাৰ পৰা দুগুণতকৈও অধিক বৃদ্ধি পাই ২০২৫-২৬ বিত্তীয় বৰ্ষত ১,৫৫,৯৮৫ কোটি টকা (প্ৰাক্কলিত) হৈছে, যিটোৱে সংশোধিত প্ৰাক্কলনত ২ লাখ কোটি টকা স্পৰ্শ কৰিব।

(১৯) দশক দশক ধৰি অসমৰ বাজেট আছিল কেৱল ইচ্ছাৰ তালিকা, য'ত পুঁজি ফাইলতে আবদ্ধ হৈ আছিল। ২০১৫-১৬ চনত আমাৰ বাজেটৰ পুঁজি ব্যৱহাৰৰ হাৰ ৫৮ শতাংশতে সীমাবদ্ধ আছিল। সেই বিলম্বিত

সংস্কৃতি আৰু প্ৰশাসনিক শিঠিলতা আঁতৰাই আমি বাজেটৰ পুঁজি ব্যৱহাৰ ২০২৪-২৫ বিত্তীয় বৰ্ষত ৮৫ শতাংশলৈ আগুৱাই যাবলৈ সক্ষম হৈছো।

(২০) গুৰুত্বপূৰ্ণ কথাটো হ'ল এই সম্প্ৰসাৰণৰ লগে লগে উৎপাদনশীল ব্যয়ৰ দিশত নিৰ্ণায়ক পৰিৱৰ্তন হৈছে। মূলধনী ব্যয় আঠগুণতকৈও অধিক বৃদ্ধি পাই ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ২,৯৫১ কোটিৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৬,৪০৯ কোটি টকা হৈছেগৈ, যিয়ে ৭৯৫ শতাংশ উল্লেখনীয় বৃদ্ধিক প্ৰতিফলিত কৰিছে।

(২১) এই মূলধনী পুঁজি ব্যয়ৰ ক্ষেত্ৰত ভাৰত চৰকাৰে অধিক সহায় কৰিছে। যোৱা পাঁচ বছৰৰ ভিতৰত ২৫,০০০ কোটি টকাৰো অধিক ধন লাভ কৰি ৰাজ্যসমূহৰ বাবে থকা মূলধনী বিনিয়োগৰ বিশেষ সাহায্য আঁচনিৰ প্ৰধান হিতাধিকাৰীসমূহৰ মাজত অসম অন্যতম ৰাজ্য হিচাপে পৰিগণিত হৈছে। এই প্ৰেক্ষাপটত, অসমৰ অৰ্থনৈতিক আৰু বিত্তীয় ৰূপান্তৰণ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত যোগাই অহা নিৰন্তৰ উৎসাহ আৰু সমৰ্থনৰ বাবে মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰী **শ্ৰীমতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীৰ** প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

(২২) যদিও মূলধনী ব্যয় বৃদ্ধি পাইছে, ঋণ বিচক্ষণতাৰে পৰিচালনা কৰা হৈছে। ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা অসমে মুঠ ১,০৪,৮৯৬ কোটি[১] টকা মূলধনী ব্যয় সম্পন্ন কৰিছে, আনহাতে বকেয়া ঋণৰ বৃদ্ধি হৈছে ৮৪,০৩৭ কোটি টকা, যিয়ে সূচায় যে ঋণসমূহ বহুলাংশে সম্পদ সৃষ্টিৰ দিশত ব্যৱহাৰ কৰা হৈছে।

(২৩) ফলস্বৰূপে, ২০২৪-২৫ বিত্তীয় বৰ্ষত আমাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি)ৰ বিপৰীতে ঋণৰ অনুপাত[২] আছিল ২৫.৫২%, যাৰ ফলত জি এছ ডি পিৰ বিপৰীতে ঋণ লোৱা দেশৰ ২৮খন ৰাজ্যৰ ভিতৰত অসম আছে ২১ নং স্থানত। ই আমাৰ নিয়ন্ত্ৰিত আৰু বহনক্ষম ঋণৰ গতিপথ অনুমোদিত বিত্তীয় নিয়মৰ ভিতৰতে থকাটোকে প্ৰতিফলিত কৰিছে।

---

*[১]উৎস ঃ ২০২৬ চনৰ ৩১ জানুৱাৰী পৰ্যন্ত*

*[২]উৎস ঃ সংৰক্ষিত পুঁজি, জমা আৰু অগ্ৰিম, আকস্মিক পুঁজিৰ বাহিৰে বাকী থকা ঋণ*

(২৪) বাজেটৰ উৎসৰ উপৰি অসমে ৰাজহুৱা বিনিয়োগ বৃদ্ধি কৰাৰ উদ্দেশ্যে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ (EAP) ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিছে। বিস্তৃত খণ্ডক সামৰি লোৱা এনে প্ৰকল্প ব্যয়ৰ পৰিমাণ ২০২১ চনৰ প্ৰায় ১৫,০০০ কোটি টকাৰ পৰা বৰ্তমান উল্লেখযোগ্যভাৱে বৃদ্ধি পাই প্ৰায় ৫৬,০০০ কোটি টকা হৈছে।

(২৫) ৰাজহুৱা বিনিয়োগৰ সম্পূৰক হিচাপে ৰাজ্যৰ ভিতৰত প্ৰাতিষ্ঠানিক ঋণৰ প্ৰবাহো অধিক শক্তিশালী কৰা হৈছে। ঋণ-জমাৰ অনুপাত ২০২১ চনৰ মাৰ্চ মাহৰ ৫৬.০৯% ৰ পৰা বৃদ্ধি পাই ২০২৫[৩] চনৰ ডিচেম্বৰ মাহত ৭৪.৪৮% হৈছে, যিয়ে অসমত বেংকৰ আমানত অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ হোৱাটোকেই সূচাইছে।

(২৬) এই উন্নতিৰ প্ৰতিফলন হিচাপে ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা অগ্ৰাধিকাৰ খণ্ডত মুঠ ৩,৬৯,৩৪৩ কোটি টকাৰ ঋণ প্ৰদান কৰা হৈছে। ঋণৰ জৰিয়তে কৃষি, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যমিতা (MSME) আৰু সহযোগী খণ্ডক সহায় কৰাৰ লগতে সামগ্ৰিক আৰু অন্তৰ্ভুক্তিমূলক বিকাশক অধিক শক্তিশালী কৰা হৈছে।

(২৭) মহোদয়, আমি কেৱল এখন ব্যয় কৰা চৰকাৰেই নহয়, আমি এনে এখন চৰকাৰ যিয়ে সম্পদ গঢ়ি তোলে। আজি আমাৰ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহত সমূহীয়া সম্পদ ৩৫,০০০ কোটি[৪] টকাতকৈও অধিক হৈছে।

(২৮) নুমলীগড় শোধনাগাৰ লিমিটেডক শক্তিশালী কৰাৰ ক্ষেত্ৰত আমাৰ কৌশলগত বিনিয়োগ অব্যাহত আছে। শোধনাগাৰটোত ৰাজ্য চৰকাৰৰ অংশীদাৰিত্বৰ মূল্য এতিয়া ৫,১০০ কোটি টকা অতিক্ৰম কৰিছে।

(২৯) একত্ৰিত ভাসমান পুঁজি, নিশ্চিত ঋণশোধক পুঁজি, অসম আন্তগাঁথনি বিত্ত প্ৰাধিকৰণ (AIFA)ৰ ভাসমান পুঁজি আদি প্ৰায় ১০,০০০ কোটি টকাৰ[৫] আমাৰ ভাসমান আৰু ঋণশোধক (Redemption) পুঁজিৰ বিত্তীয় সুৰক্ষাৰে অসমক সুদৃঢ় কৰিছো।

---

[৩] *উৎস ঃ ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ্ছ কমিটী (SLBC)ৰ প্ৰতিবেদন*

[৪] *উৎস ঃ ৰাজ্যিক পি এছ ই, ২০২৩-২৪ৰ ওপৰত চি এ জিৰ প্ৰতিবেদন*

[৫] *উৎস ঃ ২০২৫ চনৰ নৱেম্বৰলৈ*

(৩০) অভিলেখ নগদ ধনৰ মজুত আৰু শক্তিশালী সম্পদৰ ভিত্তি গঢ়াৰ দ্বাৰা আমি 'বৰ্তি থকা' অৱস্থাৰ পৰা 'সাৰ্বভৌম সামৰ্থতা'ৰ অৱস্থালৈ গতি কৰিছো।

**অটল অবিচল অগ্ৰগামী অসম**

(৩১) মহোদয়, যোৱা ৫ বছৰত উল্লেখ্যযোগ্য সফলতা হৈছে সমগ্ৰ ৰাজ্যজুৰি শান্তি আৰু সুস্থিৰতা পুনৰ প্ৰতিষ্ঠা কৰাটো। অস্থিৰতা আৰু দ্বিধাৰ সেই দিনসমূহ এতিয়া অতীত হৈ পৰিছে। আজি বিশ্বই এক নতুন অসমক দেখিবলৈ পাইছে— এনে এখন ৰাজ্য যিয়ে নিজৰ পৰিচয়, সংস্কৃতি আৰু সভ্যতাৰ মূল্যবোধ সুৰক্ষিত কৰিবলৈ অটলভাৱে থিয় দিছে, শান্তি আৰু সম্প্ৰীতি বজাই ৰখাৰ দিশত অবিচল আৰু অন্তৰ্ভুক্তিমূলক বিকাশৰ পথত বিকশিত ভাৰতৰ অগ্ৰগামী শক্তি হিচাপে তীব্ৰ গতিৰে আগুৱাই গৈছে।

(৩২) ভাৰত চৰকাৰৰ সৈতে মিলি আমাৰ চৰকাৰে আলফা, কাৰ্বি, আদিবাসী আৰু ডি এন এল এ গোটৰ সৈতে চাৰিখন ঐতিহাসিক শান্তি চুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ফলত স্থায়ী শান্তি, সুস্থিৰতা আৰু সংহতিৰ পথ সুগম হৈছে। এনে এক পৰিৱেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ বাবে মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

(৩৩) ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ভাৰত চৰকাৰে সংযুক্ত মুক্তি বাহিনী, অসম (আলফা)ৰ সৈতে ২০২৩ চনৰ শান্তি চুক্তিৰ অধীনত ৫০০০ কোটি টকাৰ বিশেষ উন্নয়ন আৰু পুনৰ সংস্থাপন পেকেজৰ প্ৰথম কিস্তি হিচাপে ৫০০ কোটি টকা ধাৰ্য কৰিছে। এই পুঁজিৰে অসমত বহনক্ষম জীৱিকা, পুনৰ সংযুক্তিকৰণ আৰু দীৰ্ঘম্যাদী শান্তি প্ৰতিষ্ঠাৰ সহায়ক প্ৰকল্পসমূহক আগুৱাই নিয়াৰ লক্ষ্যৰে ব্যৱহাৰ কৰা হ'ব।

(৩৪) কেন্দ্ৰীয় সহায়ৰ পৰিপূৰক হিচাপে বন্দোবস্তি চুক্তিৰ আধাৰত আমাৰ চৰকাৰে আলফা শান্তি চুক্তিৰ সৈতে সম্পৰ্ক ৰাখি আন্তঃগাঁথনিমূলক

আৰু উন্নয়নমূলক প্ৰকল্পসমূহৰ বাবে নিজা উৎসৰ পৰা ৩,০০০ কোটি টকা ব্যয় কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

(৩৫) ২০২১ চনৰ পৰা অসমত চলি থকা স্থায়ী শান্তিৰ ফলস্বৰূপে মুঠ ৯,০২২ প্ৰাক্তন কেডাৰে ১,০১২ টা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ জমা দিছে।

(৩৬) যোৱা ৫ বছৰত আমাৰ চৰকাৰে আত্মসমৰ্পণ সহ পুনৰসংস্থাপন নীতিৰ অধীনত বিপথে পৰিচালিত যুৱকসকলক পুনৰসংস্থাপন কৰিছে। ইয়াৰ অধীনত ৪ লাখ টকাৰ স্থায়ী আমানত, মাহেকীয়া ভাত্তাৰ লগতে জীৱিকামূলক কাম-কাজৰ বাবে আৰ্থিক সহায়ৰ পেকেজ আগবঢ়োৱা হৈছে।

(৩৭) আমাৰ চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা দীৰ্ঘদিনীয়া সীমা বিবাদ সমাধান আৰু আঞ্চলিক সৌহাৰ্দ্যৰ পৰিৱেশ সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। ২০২২ চনত মেঘালয় আৰু ২০২৩ চনত অৰুণাচল প্ৰদেশৰ সৈতে আন্তঃৰাজ্যিক সীমা নিৰ্দ্ধাৰণৰ ব্যৱস্থাপনাৰে এই দিশত দৃঢ় পদেক্ষপ গ্ৰহণ কৰা হৈছে।

(৩৮) ৰাজ্যখনত শান্তি আৰু স্বাভাৱিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত আমাৰ অঙ্গীকাৰ স্পষ্টভাৱে প্ৰতিফলিত হৈছে সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইনৰ প্ৰয়োগ সীমিত কৰাৰ জৰিয়তে। এই আইনখন এসময়ত সমগ্ৰ ৰাজ্যখনতে প্ৰযোজ্য আছিল যদিও আজি ইয়াৰ প্ৰয়োগ মাত্ৰ তিনিখন জিলাতহে সীমাবদ্ধ আছে।

(৩৯) অবৈধ দখলৰ বিৰুদ্ধে ধাৰাবাহিক আৰু আইনগত ব্যৱস্থা গ্ৰহণ কৰি ৰাজহুৱা ব্যৱহাৰ আৰু ভৱিষ্যতৰ উন্নয়নৰ বাবে প্ৰায় ১.৪৫ লাখ বিঘা চৰকাৰী ভূমি উদ্ধাৰ কৰা হৈছে।

(৪০) ২০২১ চনৰ পৰা বিগত পাঁচ বছৰত অসমত ২৪,০০০ তকৈ অধিক ব্যক্তিক ড্ৰাগছ সম্পৰ্কীয় বিষয়ত গ্ৰেপ্তাৰ কৰা হৈছে। আনহাতে, ৩,০০১ কোটি টকাৰো অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে আৰু ই ২০১১ৰ পৰা ২০১৫ চনৰ তুলনাত সাত গুণতকৈ অধিক।

(৪১) বিগত পাঁচ বছৰত আমাৰ চৰকাৰে ৫ টা নতুন কমাণ্ডো বেটেলিয়ন গঠন কৰিছে, য'ত মুঠ ২২,৬০৬ গৰাকী আৰক্ষী কৰ্মচাৰী আৰু অন্যান্য

কৰ্মচাৰী নিয়োগ কৰা হৈছে। তদুপৰি ৪৩,৬৯৭ গৰাকী কৰ্মচাৰীক পদোন্নতি দিয়াৰ লগতে সম্পূৰ্ণ পেছাদাৰী, খালীপদবিহীন বাহিনী গঢ়ি তোলাৰ দিশত ক্ৰমান্বয়ে আগবাঢ়িছে।

(৪২) আমি লাচিত বৰফুকন পুলিচ একাডেমী নামৰ এক শীৰ্ষমানৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিছো, গুৱাহাটীত নতুন আৰক্ষী আয়ুক্তৰ কাৰ্যালয় নিৰ্মাণ কৰা হৈছে। বড়োলেণ্ড অঞ্চলত ২খন নতুন জিলা কাৰাগাৰ স্থাপন কৰা হৈছে। আনহাতে, জনসাধাৰণৰ সৈতে সু-সম্পৰ্ক বজাই ৰখা পেছাদাৰী আৰক্ষী গঢ়ি তোলাৰ লক্ষ্যৰে আৰক্ষী থানাৰ সামগ্ৰিক উন্নয়ন আৰু দায়িত্বশীল ভাবমূৰ্তি গঢ়াৰ অভিযান চমুকৈ 'মৈত্ৰী আঁচনি'ৰ অধীনত ১১২খন থানা নিৰ্মাণ তথা আধুনিকীকৰণ কৰা হৈছে।

(৪৩) ভাৰতীয় ন্যায় সংহিতাকে ধৰি নতুন অপৰাধমূলক আইনসমূহ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। আইন কাৰ্যকৰীকৰণৰ ৰাষ্ট্ৰীয় হাৰ ৫৩.৬৯[৬] শতাংশৰ বিপৰীতে অসমে ৭৮.১৩ শতাংশ সফলতা লাভ কৰিছে।

(৪৪) বাল্য বিবাহৰ সামাজিক সমস্যাটোৰ বিৰুদ্ধে চলোৱা বহুমুখী অভিযানত অন্তৰ্ভুক্ত আছিল বাল্য বিবাহ প্ৰতিৰোধ আইনৰ কঠোৰ প্ৰয়োগ, আৰক্ষীৰ সক্ৰিয় পদক্ষেপ আৰু মুখ্যমন্ত্ৰীৰ নিযুত মইনাৰ দৰে আঁচনিৰ লগতে সামূহিক সজাগতা সৃষ্টি।

(৪৫) প্ৰতিগৰাকী মহিলাৰ মৰ্যাদা সুৰক্ষা আৰু অধিকাৰ শক্তিশালী কৰাৰ বাবে থকা আমাৰ সংকল্প অব্যাহত ৰাখি অসম বহু বিবাহ প্ৰতিৰোধ আইন, ২০২৫ প্ৰণয়ন কৰা হৈছে। ই হৈছে ঘৰৰ ভিতৰত ন্যায় প্ৰদানৰ প্ৰতি থকা আমাৰ অংগীকাৰ প্ৰতিফলিত কৰা এক নিৰ্ণায়ক সংস্কাৰ।

(৪৬) এইবোৰ পদক্ষেপে অসমক অধিক নিৰাপদ আৰু সুস্থিৰ ৰূপ দিছে, য'ত শান্তি অস্থায়ী নহয়, ইয়ে স্থায়ী বিকাশৰ ভেটি গঢ়িছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ডাভোছত কোৱাৰ দৰে Assam is moving "from guns to (semiconductor) chips" —সংঘাতৰ পৰা সুযোগলৈ, অস্থিৰতাৰ পৰা উদ্ভাৱনলৈ।

---

[৬] *উৎস ঃ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ মূল্যায়ন*

**সংকল্পৰ পৰা সিদ্ধিলৈ**

(৪৭) মহোদয়, বিগত ৫ বছৰত মই উপস্থাপন কৰা বাজেটসমূহ কেৱল বিত্তীয় দলিলেই নাছিল, সেইবোৰ আছিল এখন শক্তিশালী অসম গঢ়াৰ গভীৰ প্ৰতিশ্ৰুতি আৰু মই আজি সগৌৰৱে জনাব বিচাৰো যে সামাজিক ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন ধ্বজাবাহী আঁচনি আৰু সাহায্যৰ জৰিয়তে অন্তৰ্ভুক্তিমূলক বিকাশ সুনিশ্চিত কৰি আমি এই প্ৰতিশ্ৰুতি ৰক্ষা কৰাত উল্লেখযোগ্য সফলতা লাভ কৰিছো।

(৪৮) ২০২১ বৰ্ষত আৰম্ভ কৰাৰ সময়ত অৰুণোদয় আঁচনিখনে ১৯ লাখ পৰিয়ালক সামৰি লৈছিল কিন্তু আজি দিব্যাংগ, তৃতীয় লিংগৰ ব্যক্তি আৰু আন আন দুৰ্বল শ্ৰেণীৰ পৰিয়ালক সামৰি লোৱা এই আঁচনিখনৰ পৰিসৰ ৪০ লাখ 'অৰুণোদয় পৰিয়াল'লৈ বিস্তৃত কৰা হৈছে। 'অৰুণোদয়' আঁচনিখন অসমৰ ইতিহাসত সৰ্ববৃহৎ সামাজিক সাহায্য আঁচনি হিচাপে পৰিগণিত হৈছে।

(৪৯) 'মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত আত্মসহায়ক গোটৰ প্ৰতিগৰাকী মহিলালৈ ১০,০০০ টকাকৈ বীজ মূলধন আগবঢ়াই আমি ৩০.৬৩ লাখ গৰাকী সদস্যাৰ সবলীকৰণ কৰিবলৈ সক্ষম হৈছো। মই গৌৰৱান্বিত যে আজি ৮.৮০ লাখ 'লাখপতি বাইদেউ' ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ চালিকা শক্তিৰূপে পৰিগণিত হৈছে।

(৫০) ২০২১ৰ 'অসম ক্ষুদ্ৰ বিত্তীয় উদ্‌গনি আৰু সকাহ আঁচনি'খনৰ অধীনত আমাৰ চৰকাৰে ১২.৭১ লাখ ক্ষুদ্ৰ ঋণ লওঁতালৈ ২,৩০৪ কোটি টকা আগবঢ়াইছে আৰু ইয়াৰ ফলত দশক দশকজুৰি আমাৰ গাঁওসমূহক অৱদমিত কৰি ৰখা ঋণৰ শৃংখল ভাগি চূৰ্ণমৈ হৈছে।

(৫১) 'অসম চাহ'ৰ ২০০ বছৰ সম্পূৰ্ণ হোৱাৰ স্মাৰক হিচাপে আমাৰ চৰকাৰে 'মুখ্যমন্ত্ৰীৰ এটি কলি, দুটি পাত' আঁচনিখনৰ শুভাৰম্ভ কৰে। এই আঁচনিখনৰ অধীনত ৩৪২ কোটি টকা মুঠ ব্যয় সাপেক্ষে ৬ লাখতকৈ অধিক চাহ শ্ৰমিক আৰু চাহ বাগিচাৰ কৰ্মচাৰীলৈ গাইপতি ৫,০০০ টকাৰ এককালীন সাহায্য আগবঢ়োৱা হৈছে।

(৫২) মহোদয়, ১ লাখ চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰ বাবে বহুতে আমাক ইতিকিং কৰিছিল, কিন্তু আজি মই আনুষ্ঠানিকভাৱে জনাওঁ যে সম্পূৰ্ণ স্বচ্ছতাৰে দিয়া ১.৫৮ লাখ চৰকাৰী নিযুক্তিৰ জৰিয়তে আমি এই অভিলেখ স্পৰ্শ কৰাই নহয়, ইয়াক অতিক্ৰম কৰি আগুৱাই যাবলৈও সক্ষম হৈছো।

(৫৩) আমাৰ চৰকাৰৰ 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান' নামৰ ধ্বজাবাহী আঁচনিখনৰ জৰিয়তে আমি ২৫,০০০ তকৈ অধিক হিতাধিকাৰীক ১ লাখ টকাকৈ আৰু পেছাদাৰী শ্ৰেণীৰ অন্তৰ্গত ২২১ গৰাকী হিতাধিকাৰীক ২.৫ লাখ টকাকৈ প্ৰদান কৰাৰ লগতে আন ৭৫,০০০ গৰাকী হিতাধিকাৰীক মুঠ প্ৰায় ৭৫০ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়াইছো।

(৫৪) সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ প্ৰতি থকা আমাৰ দায়বদ্ধতা অনুসৰি ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনত থকা ৮,০৬,১৭০ গৰাকী হিতাধিকাৰীক লাভান্বিত কৰি বৃদ্ধ পেঞ্চন আঁচনিৰ অনুদানৰ পৰিমাণ ২৫০ টকাৰ পৰা ৪০০ টকা আৰু বিধৱা পেঞ্চন আঁচনিৰ অনুদানৰ পৰিমাণ ৩০০ টকাৰ পৰা ১,২৫০ টকালৈ বৃদ্ধি কৰা হৈছে।

(৫৫) ইয়াৰ উপৰি, 'ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি'ৰ সমহাৰত অনুদান আগবঢ়াই আমি 'শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি'ৰ অধীনত ১১,৫৯,১৩৭ গৰাকী হিতাধিকাৰীক সামৰি লৈছো।

(৫৬) খাদ্যৰ বুনিয়াদী অধিকাৰ সুনিশ্চিত কৰাৰ বাবে 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন' আৰু 'প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা'ৰ অধীনত ৭০.৭১ লাখ পৰিয়ালক সামৰি ৰাজ্যখনৰ ২.৪৯ কোটিতকৈ অধিক নাগৰিকলৈ বিনামূলীয়া চাউল আগবঢ়োৱা হৈছে।

(৫৭) মাত্ৰ ৫ বছৰৰ ভিতৰত ৫.০৪ লাখ নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ পদক্ষেপৰ অধীনত আমি ইতিমধ্যে ৬৫ লাখতকৈ অধিক হিতাধিকাৰী সংযুক্ত কৰিছো আৰু ১৪.৬০ লাখকৈ অধিক সংখ্যক নতুন ৰেছন কাৰ্ড প্ৰদান কৰিছো।

(৫৮) কেৱল ক্ষুধা নিবাৰণতেই আমি ক্ষান্ত থকা নাই, জনসাধাৰণৰ পুষ্টিসাধনৰ বাবেও চৰকাৰ সমানেই দায়বদ্ধ। ৰাজসাহায্যৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰি মাত্ৰ ১০০ টকা মুঠ ব্যয়তে মচুৰ দাইল, চেনি আৰু নিমখ আগবঢ়াই আমি নাগৰিকসকলৰ পুষ্টিসাধনতো অগ্ৰাধিকাৰ প্ৰদান কৰিছো।

(৫৯) জনস্বাস্থ্যৰ দিশত আমি গ্ৰহণ কৰা লক্ষ্যভিত্তিক পদক্ষেপসমূহৰ ফলস্বৰূপে মাত্ৰ ৩ বছৰত প্ৰসূতিৰ মৃত্যুৰ হাৰ (MMR)[৭] ৪৪ শতাংশ হ্ৰাস পাইছে আৰু এই হ্ৰাসৰ হাৰ সমগ্ৰ দেশৰ ভিতৰতে অন্যতম। নৱজাত শিশুৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড়ৰ বিপৰীতে প্ৰায় দুগুণকৈ হ্ৰাস পোৱা আৰু ২০২৪-২৫ বৰ্ষত প্ৰাতিষ্ঠানিক প্ৰসৱৰ[৮] হাৰ ৯৭ শতাংশলৈ উন্নীত হোৱাটোৱে আমাৰ এই প্ৰচেষ্টাসমূহৰ সফলতাকেই পুনৰবাৰ প্ৰতিফলিত কৰে।

(৬০) 'চাহ বাগিচা মজুৰি ক্ষতিপূৰণ আঁচনি'ৰ অধীনত মুঠ প্ৰায় ১২০ কোটি টকা ব্যয় সাপেক্ষে আমাৰ চৰকাৰে চাহ বাগিচা অঞ্চলৰ ১.১৬ লাখ গৰ্ভৱতী মহিলাৰ প্ৰত্যেককে ১৫,০০০ টকাকৈ আগবঢ়াইছে, যাৰ বাবে প্ৰায় ১৭৯ কোটি টকা মুকলি কৰি দিছে।

(৬১) 'আয়ুষ্মান অসম-মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনা'ৰ অধীনত যোৱা ৫ বছৰত ৭.১৭ লাখ গৰাকী হিতাধিকাৰীয়ে নগদ ধনবিহীন চিকিৎসা সেৱা লাভ কৰিছে, যাৰ ফলস্বৰূপে লাভান্বিত পৰিয়ালসমূহৰ মুঠ ১,২৫৮ কোটি টকা ৰাহি হৈছে।

(৬২) মহোদয়, বিগত মাত্ৰ ৪ বছৰত আমি চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৭ পৰা ১৪ খন, অৰ্থাৎ দুগুণলৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছো আৰু আন কেইবাখনো নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰাৰ বাবে আমি বৰ্তমান ৫,৫০০ কোটি টকা বিনিয়োগ কৰিছো। ইয়াৰ ফলত স্বাস্থ্যসেৱা খণ্ডত আৰু ৪,৫০০ খন বিছনা সংযোগ কৰিব পৰা যাব।

---

[৭] *উৎস ঃ এছ আৰ এছ (২০১৮-২০২০)ৰ পৰা এছ আৰ এছ (২০২১-২০২৩)লৈ*

[৮] *উৎস ঃ এইচ এম আই এছ*

(৬৩) ‘অসম উন্নত স্বাস্থ্যসেৱা উদ্ভাৱনী প্ৰতিষ্ঠান’ৰ অধীনত থলুৱাভাৱে ছাৰ্জিকেল ৰবটৰ আৰ্হি আৰু ল’ ফিল্ড এম আৰ আই নিৰ্মাণ কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ১ টা প্ৰট’ন থেৰাপী মেচিন সংস্থাপন কৰাৰ বাবেও আমি ৫০০ কোটি টকা ব্যয় কৰি আছো।

(৬৪) টাটা ট্ৰাষ্টৰ সৈতে স্বাক্ষৰিত হোৱা এক ঐতিহাসিক চুক্তি অনুসৰি অসম কৰ্কট সেৱা ফাউণ্ডেশ্যন প্ৰতিষ্ঠা কৰি দক্ষিণ এছিয়াৰ ভিতৰতে প্ৰথম আৰু সৰ্ববৃহৎ তিনিখলপীয়া কৰ্কট সেৱা নেটৱৰ্ক আমাৰ জিলাসমূহৰ বাবে উপলব্ধ কৰিবলৈ সক্ষম হৈছো।

(৬৫) কৰ্কট ৰোগৰ চিকিৎসাৰ উপৰি এই নেটৱৰ্কে সমূহীয়া ভিত্তিত ৭ লাখ স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিছে। এই মাৰাত্মক ব্যাধিবিধক প্ৰাৰম্ভিক পৰ্যায়ত ধৰা পেলোৱাৰ জৰিয়তে আমি হেজাৰোধিক ব্যক্তিৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছো আৰু অধিক পলমকৈ চিকিৎসা গ্ৰহণৰ ফলত হ’ব পৰা অত্যধিক ব্যয়ৰ পৰাও ৰোগীসকলে পৰিত্ৰাণ পাইছে।

(৬৬) ‘মুখ্যমন্ত্ৰীৰ নিযুত মইনা’ আঁচনিৰ জৰিয়তে আমাৰ চৰকাৰে ৫.৫ লাখতকৈও অধিক ছাত্ৰীক ১,০০০ টকাৰ পৰা ২,৫০০ টকাৰ মাহিলি আৰ্থিক সাহায্য প্ৰদানেৰে প্ৰায় ২৬০ কোটি টকা প্ৰদানৰ প্ৰতিশ্ৰুতি পালন কৰিছে।

(৬৭) একেদৰে ‘মুখ্যমন্ত্ৰীৰ নিযুত বাবু’ আঁচনিৰ অধীনত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ৪৭,৪২৮ গৰাকী ছাত্ৰক মাহিলি ১,০০০ টকাৰ পৰা ২,০০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ লোৱা হৈছে।

(৬৮) ‘মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা’ আঁচনিৰ জৰিয়তে আমাৰ চৰকাৰে মাহিলি ২,৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ ৪৮,৩১৯ গৰাকী নতুন স্নাতকক সামৰি লৈছে। ইয়াৰ ফলত তাৎক্ষণিক আৰ্থিক দুঃচিন্তা নোহোৱাকৈ তেওঁলোকে নিজ লক্ষ্যপথত অগ্ৰসৰ হ’ব পাৰিব।

(৬৯) গৱেষণা আৰু উদ্ভাৱনৰ প্ৰতি উৎসৰ্গিত লোকসকলৰ বাবে 'মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনি'ৰ অধীনত আমাৰ চৰকাৰে দিব্যাংগ গৱেষকসকলকে ধৰি প্ৰতিগৰাকী গৱেষকৰ বাবে ২৫,০০০ টকা আৰু দিব্যাংগ গৱেষকৰ বাবে ৪০,০০০ টকাকৈ মুঠ ২,১২৫ গৰাকী পূৰ্ণকালীন গৱেষকক আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

(৭০) 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অধীনত অৰ্থনৈতিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে ৭৮০ কোটি টকাৰ নামভৰ্তি মাচুল ৰেহাই দিয়া হৈছে, যাৰ ফলত প্ৰতি বছৰে গড়ে ৩.৫ লাখ স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

(৭১) উত্তৰ লখিমপুৰ, গুৰুচৰণ, শিৱসাগৰ, বঙাইগাঁও, জগন্নাথ বৰুৱা, নগাঁও আৰু কোকৰাঝাৰ আদি শীৰ্ষমানৰ মহাবিদ্যালয়সমূহক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হৈছে।

(৭২) মহোদয়, দৰঙত 'অসম দক্ষতা বিশ্ববিদ্যালয়' স্থাপনৰ বাবে দিয়া প্ৰতিশ্ৰুতি আমি পূৰণ কৰিলো। তদুপৰি, 'শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়' নিৰ্মাণৰ কাম আমি ইতিমধ্যে আৰম্ভ কৰিছো আৰু ই দেশৰ প্ৰথমখন সম্পূৰ্ণ 'প্ৰযুক্তি-বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণ' (T-VET) ভিত্তিক বিশ্ববিদ্যালয় হ'ব।

(৭৩) এখন মান্যতা প্ৰদানৰ কৰ্তৃত্বসম্পন্ন আৱাসিক বিশ্ববিদ্যালয় হিচাপে 'ছ্যু-কা-ফা বিশ্ববিদ্যালয়, অসম' স্থাপনৰ বাবেও আমি অনুমোদন জনাইছো ।

(৭৪) ২১০ কোটি টকা ব্যয় সাপেক্ষে আমি চাহ বাগিচা অঞ্চলত ১১৮ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণ কৰিছো আৰু এই বিদ্যালয়সমূহ ইতিমধ্যে সকলো সা-সুবিধাৰ সৈতে কাৰ্যক্ষম হৈ উঠিছে। ইয়াৰ উপৰি, আন ১০০ খন তেনেকুৱা বিদ্যালয় নিৰ্মাণ কৰি থকা হৈছে।

(৭৫) আমাৰ চাহ বাগিচাসমূহত সাংস্কৃতিক আৰু বৃত্তিমূলক কাৰ্যকলাপৰ কেন্দ্ৰবিন্দু হিচাপে আমি ৫০০টা মহাপ্ৰভু জগন্নাথ কমিউনিটি প্ৰেক্ষাগৃহ তথা দক্ষতা কেন্দ্ৰ নিৰ্মাণ কৰি আছো।

(৭৬) আমি ৯,০৫৪ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ পদক্ষেপ লৈছো। ইয়াৰে ৩,৮৭০ টা কেন্দ্ৰৰ কাম সম্পূৰ্ণ হৈছে আৰু আন কেন্দ্ৰসমূহৰ কাম চলি আছে।

(৭৭) শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ লগতে কৰ্মচাৰী সেৱাক সুৰক্ষিত কৰি আমাৰ চৰকাৰে ২০২১ চনত ১,৬৯৮খন প্ৰাথমিক বিদ্যালয়ত ৩,৩০৯টা টিউটৰ পদ আৰু ২,১০৭খন উচ্চ প্ৰাথমিক বিদ্যালয়ত ৬,৫৮৬টা টিউটৰ পদ প্ৰাদেশিকীকৰণ কৰাৰ লগতে সংশ্লিষ্ট প্ৰাদেশিকীকৰণ আইনৰ অধীনত ২০২২ চনত ১,৫৩৯খন উচ্চ প্ৰাথমিক বিদ্যালয়ত ১,৫৩৯টা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ কৰিছে।

(৭৮) শিক্ষকসকলৰ বাবে থকা আমাৰ 'ট্ৰেন্সফাৰ প'ৰ্টেল'ৰ জৰিয়তে কাৰো হস্তক্ষেপ অবিহনে ৪২,৮১৩ গৰাকী শিক্ষকে সফলতাৰে নিজৰ পছন্দৰ স্থানলৈ বদলি হৈছে যাতে শিক্ষকসকলৰ মন-মগজু সুস্থিৰ হৈ থাকে আৰু তেওঁলোকে শ্ৰেণীকোঠাত একান্তভাৱে মনোনিৱেশ কৰিব পাৰে।

(৭৯) তৃতীয় তথা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে থকা অনুৰূপ প'ৰ্টেলৰ জৰিয়তে ৯,০০৪ গৰাকী কৰ্মচাৰীয়ে স্বচ্ছভাৱে আকাংক্ষিত বদলি লাভ কৰিছে।

(৮০) 'খেল মহাৰণ'ত অভূতপূৰ্ব অংশগ্ৰহণৰ পিছত ৬,৯২৪ গৰাকী খেলুৱৈয়ে ৰাজ্যিক পৰ্যায়ত ভাগ লৈছিল আৰু ৬৬৯ গৰাকী সম্ভাৱনাপূৰ্ণ খেলুৱৈক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাগ ল'ব পৰাকৈ উন্নত প্ৰশিক্ষণৰ বাবে বাছি লোৱা হৈছিল।

(৮১) 'আপোন ঘৰ' আঁচনিৰ অধীনত এতিয়ালৈ ৪৭,২৭৭ গৰাকী চৰকাৰী কৰ্মচাৰীলৈ আমি ৭০৬.৫ কোটি টকা সুতৰ ৰাজসাহায্য প্ৰদান কৰিছো। ইয়াৰ যোগেদি কৰ্মচাৰীসকলক ৭,৩৭৬ কোটি টকাৰ গৃহ ঋণ লাভ কৰাত সহায় কৰিছে।

(৮২) 'আপোন বাহন' আঁচনিৰ অধীনত ১০.৭৬ কোটি টকাৰ সুত সাহায্য হিচাপে মঞ্জুৰ কৰা হৈছে। ইয়াৰ দ্বাৰা ৬,৭২০ গৰাকী চৰকাৰী কৰ্মচাৰী উপকৃত হৈছে।

(৮৩) 'আয়ুষ্মান অসম- মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা' (এ এ- এম এম এল এছ এ ৱাই)ৰ অধীনত চৰকাৰী কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল লোকসকললৈ ৰাজ্য আৰু দেশজুৰি তালিকাভুক্ত চিকিৎসালয়সমূহত চি জি এফ এছৰ হাৰত নগদবিহীন চিকিৎসা সুবিধা আগবঢ়োৱা হৈছে।

(৮৪) ভাৰত চৰকাৰৰ পদক্ষেপৰ লগত সংগতি ৰাখি নিশ্চিত, অনুমেয় অৱসৰকালীন সুবিধা প্ৰদান কৰিবলৈ আমি এক ইউনিফাইড পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰাৰ লগতে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিছো।

(৮৫) আমি অংগনৱাড়ী কৰ্মীৰ মাহিলি পাৰিতোষিক ৬,৫০০ টকাৰ পৰা ৮,০০০ টকালৈ, অংগনৱাড়ী সহায়িকাৰ পাৰিতোষিক ৩,২৫০ টকাৰ পৰা ৪,০০০ টকালৈ আৰু পোষণ ৰান্ধনীৰ পাৰিতোষিক ১,৫০০ টকাৰ পৰা ২,০০০ টকালৈকে বৃদ্ধি কৰিছো। একেদৰে আশা কৰ্মীসকলৰ পাৰিতোষিক ৩,০০০ টকাৰ পৰা ৪,০০০ টকালৈ বৃদ্ধি কৰা হৈছে আৰু আশা ছুপাৰভাইজৰসকলৰ পাৰিতোষিক ৯,০০০ টকাৰ পৰা ১০,৫০০ টকালৈ বৃদ্ধি কৰা হৈছে।

(৮৬) ৰাজ্যখনৰ বাহিৰত দুৰ্ভাগ্যজনক পৰিস্থিতিত মৃত্যুবৰণ কৰা অসমৰ লোকৰ নশ্বৰদেহ সহজে আৰু সন্মানজনকভাৱে কঢ়িয়াই অনাটো সুনিশ্চিত কৰিবলৈ আমি 'শ্ৰদ্ধাঞ্জলি' আঁচনিখন প্ৰৱৰ্তন কৰিছো।

(৮৭) 'মিছন বসুন্ধৰা'ৰ অধীনত যোৱা ৫ বছৰত ২৪,৬৮৮টা প্ৰতিষ্ঠানকে ধৰি ৩ লাখৰো অধিক হিতাধিকাৰীৰ বাবে ভূমিৰ অধিকাৰ সুৰক্ষিত কৰি প্ৰায় ৪.১৫ লাখ বিঘা ভূমিৰ নিষ্পত্তিকৰণ কৰি আমি ভূমিৰ ৰেকৰ্ডসমূহ পদ্ধতিগতভাৱে বিশুদ্ধিকৰণ আৰু উন্নীতকৰণৰ কাম আৰম্ভ

কৰিছিলো আৰু ভূমিহীন নাগৰিকসকলক ভূমি পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছো।

(৮৮) ২০২৫ চনৰ নৱেম্বৰ মাহত অসম বিধান সভাত অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক, ২০২৫ খন গৃহীত হয় আৰু লগতে আমি কেইবা হেজাৰ বিঘা সত্ৰৰ ভূমি বেদখলমুক্ত কৰিছো।

(৮৯) দশক দশক ধৰি অসম চুক্তি ধূলিৰ মাজত পৰি থকা এটা প্ৰতিশ্ৰুতি হৈ আছিল যদিও ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিয়ে দিয়া পৰামৰ্শাৱলী ৬৭ টাৰ ভিতৰত আমাৰ চৰকাৰে ৫২ টা পৰামৰ্শত চৰকাৰীভাৱে অনুমোদন জনাইছে। এই ৫২ টা পৰামৰ্শ সম্পূৰ্ণ দৃঢ়তাৰে ৰূপায়ণ কৰাৰ পিছত আমি বাকী থকা প্ৰস্তাৱসমূহ ৰূপায়ণৰ বাবে ভাৰত চৰকাৰৰ সৈতে অবিৰতভাৱে সংযোগ ৰক্ষা কৰি আছো।

(৯০) চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ বাবে আমাৰ সাংস্কৃতিক পৰিচয় সজোৰে উত্থাপিত হোৱাৰ উপৰি আমাৰ ঐতিহ্যই এক বিশেষ মাত্ৰা লাভ কৰিছে।

(৯১) আমাৰ চৰকাৰে ব্ৰিটিছ সংগ্ৰহালয়ৰ সৈতে চুক্তি স্বাক্ষৰ কৰি এটা শতিকাৰো অধিক কাল বিদেশত থকাৰ পিছত ঐতিহাসিক বৃন্দাৱনী বস্ত্ৰখন ২০২৭ চনত ৰাজহুৱা প্ৰদৰ্শনৰ বাবে অসমলৈ অনাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ই হৈছে ১৬ শতিকাৰ অমূল্য সাংস্কৃতিক সম্পদৰ সৈতে ৰাজ্যখনক পুনৰ সংযোগ কৰাৰ এক উল্লেখযোগ্য পদক্ষেপ।

(৯২) মহোদয়, আমি ১৬২ বিঘা পৱিত্ৰ ভূমি পুনৰুদ্ধাৰ কৰাৰ আমাৰ অদম্য ৰাজনৈতিক ইচ্ছা প্ৰদৰ্শন কৰি বটদ্ৰৱা থানক 'শ্ৰীমন্ত শংকৰদেৱ আৱিৰ্ভাৱ ক্ষেত্ৰ'লৈ ৰূপান্তৰ কৰিছো, যাৰ ফলত ই হৈ পৰিছে বিশ্বমানৰ আধুনিক আৰু সাংস্কৃতিক চিহ্ন। মই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাক নতশিৰে প্ৰণিপাত জনাওঁ। তেখেতৰ শাশ্বত শিকনিয়ে

আমাক সৰ্বদা পথ প্ৰদৰ্শন কৰি অহাৰ লগতে অনুপ্ৰেৰণা যোগাই আহিছে।

*কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে*
*ধৰিছিল নামৰে তান*
*নামৰে সুৰতে আনন্দত নাচিছিল*
*পৱিত্ৰ বৰদোৱা থান।*

(৯৩) অসম দৰ্শনৰ অধীনত অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে আমাৰ নিৰ্বাচনৰ পূৰ্বৰ প্ৰতিশ্ৰুতি পূৰণ কৰি ৫৪,৭২৫ খন ধৰ্মীয় স্থানলৈ ১১৩২.৯৩ কোটি টকা মোকলাই দিছো। ইয়াৰ জৰিয়তে এনে স্থানসমূহৰ মূল আন্তগাঁথনিৰ উন্নতিসাধন কৰা হৈছে।

(৯৪) মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ গৌৰৱময় উপস্থিতিত আমি আমাৰ ঐতিহ্য বিশ্ব দৰবাৰলৈ লৈ যাবলৈ সমৰ্থ হৈছো। ইয়াৰ অংশ হিচাপে আমি ১১,৩৬৯ গৰাকী শিল্পীৰ দ্বাৰা বিহু নৃত্য প্ৰদৰ্শন কৰি গীনিজ বিশ্ব অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছো। লগতে ৮,০০০ তকৈও অধিক শিল্পীৰে ঝুমুইৰ নৃত্য আৰু ১০,০০০ তকৈও অধিক বড়ো শিল্পীৰে ঐতিহাসিক বাগৰুম্বা দহৌ অনুষ্ঠিত কৰিছো। এইক্ষেত্ৰত আমি ইয়াৰ লগত জড়িত কলা-কুশলী আৰু প্ৰশিক্ষকসকলক যথাক্ৰমে ২৫,০০০ টকা আৰু ৫০,০০০ টকাকৈ প্ৰদান কৰি পুৰস্কৃত কৰিছো। একেধৰণৰ সম্বৰ্দ্ধনা বাগৰুম্বা দহৌৰ কলা-কুশলী তথা প্ৰশিক্ষকসকলৰ বাবেও শীঘ্ৰে আয়োজন কৰা হ'ব।

(৯৫) ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ আৰু নিৰ্মাণৰত লাচিত মৈদাম স্মাৰকৰ জৰিয়তে আমি অসমৰ বীৰত্বপূৰ্ণ ঐতিহ্যক সন্মান জনাইছো।

(৯৬) আমাৰ চৰকাৰে কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী পালনৰ দ্বাৰা ছহিদগৰাকীৰ মহান ত্যাগ আৰু বীৰত্বক সন্মান জনোৱাৰ লগতে লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী পালন কৰি শ্ৰদ্ধা নিবেদন কৰিছে। ইয়াৰ উপৰি বীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ গাথাক সামৰি ৫২ টা খণ্ডৰ দূৰদৰ্শন ধাৰাবাহিক নিৰ্মাণৰ বাবে প্ৰসাৰ ভাৰতীৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে।

(৯৭) আমি লগতে ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰি আছো।

(৯৮) অসম সাংস্কৃতিক মহাসংগ্ৰাম কাৰ্যসূচীত ১০ লাখৰো অধিক পঞ্জীয়ন হৈছিল আৰু সকলো জিলাৰ কেইবা হেজাৰ যুৱ শিল্পীৰ উৎসাহী অংশগ্ৰহণেৰে অভূতপূৰ্ব সঁহাৰি লাভ কৰি ই অসমৰ বৃহৎ সাংস্কৃতিক প্ৰতিভা প্ৰকাশৰ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

(৯৯) দেশৰ ভিতৰতে প্ৰথম আমাৰ অগ্ৰণী ‘কনচাৰ্ট পৰ্যটন নীতি’ৰ অধীনত অসমক বিশ্বৰ মানচিত্ৰত স্থান দিয়াৰ অৰ্থে আমি কনচাৰ্ট অৰ্থনীতিৰ পথ মুকলি কৰিছো।

(১০০) মহোদয়, আমাৰ ষষ্ঠ অনুসূচীৰ পৰিষদসমূহ, স্বায়ত্তশাসিত পৰিষদসমূহ আৰু উন্নয়ন পৰিষদসমূহৰ বিত্তীয় অৱস্থা অধিক শক্তিশালী কৰাত আমি গুৰুত্ব প্ৰদান কৰিছো। বিগত পাঁচ বছৰত আমি আমাৰ স্বায়ত্তশাসিত অঞ্চলসমূহলৈ অবিৰত আৰু অভিলেখ পৰিমাণৰ অনুদানৰ প্ৰবাহ নিশ্চিত কৰিছো।

(১০১) বিগত পাঁচ বছৰত মূলধনী ব্যয়ৰ দিশত আমাৰ নিৰ্ণায়ক পৰিৱৰ্তনৰ বাবে অসমত দীৰ্ঘম্যাদী আন্তঃগাঁথনি আৰু উৎপাদনশীল সম্পদ গঢ় লৈ উঠিছে।

(১০২) বিগত পাঁচ বছৰত ‘অসম মালা’ৰ অধীনত প্ৰায় ৮,৪২১ কোটি টকা ব্যয়েৰে ৭৬৭ কিলোমিটাৰ পথ আৰু ১,৮৮৭ কোটি টকা ব্যয় কৰি ৩৫৬ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰিছো।

(১০৩) মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি, মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি, মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আৰু মুখ্যমন্ত্ৰীৰ নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিৰ দৰে ধ্বজাবাহী আঁচনিসমূহৰ অধীনত ৬,৪৯৪ কোটি টকা ব্যয়েৰে ৪,১৭৬ কিলোমিটাৰ পথ নেটৱৰ্ক সম্পূৰ্ণ কৰি তোলা হৈছে আৰু অতিৰিক্ত ৬,৯১৭ কিলোমিটাৰ পথ নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে।

(১০৪) বিগত পাঁচ বছৰত আমাৰ চৰকাৰে প্ৰতিদিনে গড় হিচাপত প্ৰায় ১৩ কিলোমিটাৰ পথ আৰু সপ্তাহত ৫ খনকৈ দলং নিৰ্মাণৰ জৰিয়তে মুঠ ২১,৭০০ কিলোমিটাৰ পথ আৰু ১,৩৩৯ খন দলং সম্পূৰ্ণ কৰিছে।

(১০৫) ২০১৫ চনত আমাৰ জনসাধাৰণে যাতায়াত কৰিবলৈ বিশাল ব্ৰহ্মপুত্ৰৰ ওপৰত মাত্ৰ ৩ খন সেতু আছিল; আজি আমাৰ অটল সংকল্পৰ ফলত ৮ খন কাৰ্যক্ষম সেতু আছে আৰু আন ৪ খন নিৰ্মীয়মাণ অৱস্থাত আছে।

(১০৬) আমি গুৱাহাটী-উত্তৰ গুৱাহাটী সেতু, গেটৱে অব গুৱাহাটী (GoG) নদী যাত্ৰী টাৰ্মিনেল, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত নতুন টাৰ্মিনেল আৰু জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলামন্দিৰ নিৰ্মাণ কৰিছো। যিবোৰ হৈছে অসমত নতুন প্ৰজন্মৰ আন্তঃগাঁথনি।

(১০৭) ভাৰত চৰকাৰৰ সৈতে এক ঐতিহাসিক অংশীদাৰিত্বৰে আমি এলানি অভূতপূৰ্ব অভিযান্ত্ৰিক নৈপুণ্যৰ জৰিয়তে অসমৰ দৃশ্যপট সলনি কৰিবলৈ লৈছো।

(১০৮) ১৮,৬০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া গহপুৰ-নুমলীগড় সংযোগী পানীৰ তলৰ সুৰংগটো ভাৰতৰ প্ৰথম দ্বি-নলী (twin-tube) পথ তথা ৰে'ল কৰিড'ৰ হ'ব আৰু ইয়াৰ ফলত ৬ ঘণ্টাৰ যাত্ৰাৰ সময় মাত্ৰ ৩০ মিনিটলৈ হ্ৰাস হ'ব।

(১০৯) ৬,৯৫৭ কোটি টকা বিনিয়োগেৰে আকাংক্ষিত মা কামাখ্যা প্ৰৱেশ পথ (দিব্যলোক পৰিযোজনা), ইউনিটী মল (একতা মল), কাজিৰঙা এলিভেটেড ক'ৰিডৰ নিৰ্মাণৰ লগতে ১২১ কিলোমিটাৰ অভিযান্ত্ৰিক নৈপুণ্যৰ গুৱাহাটী ৰিং ৰোড প্ৰকল্প আৰু গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ পথো এতিয়া নিৰ্মাণৰত হৈ আছে।

(১১০) ইয়াৰ উপৰি ভাৰত-ভূটান সংযোগী পদক্ষেপৰ অধীনত ৬৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ কোকৰাঝাৰ-গেলেফু নতুন ৰে'লপথ নিৰ্মাণত অলপতে অনুমোদন জনোৱা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত আন এখন দলং নিৰ্মাণৰ লগতে ওদালগুৰি হৈ জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ পৰা ভূটান সীমান্তলৈ এটা ঘাইপথ প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে।

(১১১) ৪০ কিঃ মিঃ শিলিগুৰি ক'ৰিডৰৰ সৈতে মাটিৰ তলেৰে যোৱা (Underground) ৰে'লপথ নিৰ্মাণৰ দূৰদৰ্শী প্ৰস্তাৱে 'চিকেন্‌ছ নেক'ক সুদৃঢ় কৰি ভাৰতৰ বাকী অংশৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলক সংযোগ কৰাৰ এক সুৰক্ষিত পৰিবহণ পথ সৃষ্টি কৰিব।

(১১২) ৭২২.৬৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ, প্ৰায় ৮৬৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পুৰণি মথাউৰি উন্নত আৰু শক্তিশালী কৰাকে ধৰি বান আৰু খহনীয়া প্ৰতিৰোধক্ষম নতুন আন্তঃগাঁথনি নিৰ্মাণ আমাৰ চৰকাৰৰ এক উল্লেখনীয় প্ৰতিশ্ৰুতি। উন্নত মথাউৰি নিৰ্মাণৰ পদক্ষেপ লোৱাৰ ফলত ভগা মথাউৰিৰ সংখ্যা ২০১৬-২০২১ চনৰ ১৫৪ টাৰ পৰা ২০২১ চনৰ পৰা আজিলৈ ৬০ টা আৰু ২০২৫ চনত মাত্ৰ ৩ টালৈ হ্ৰাস পাইছে।

(১১৩) মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ বিশ্বই এতিয়া নৱদৃষ্টিৰে অসমক প্ৰত্যক্ষ কৰিবলৈ লৈছে। আমি অভিলেখ সময়ৰ ভিতৰত স্থানীয় সম্ভাৱনীয়তা আৰু বিশ্ব বিনিয়োগৰ মাজত থকা ব্যৱধান হ্ৰাস কৰি সুদৃঢ় সেতু নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো। ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা ডাভোছৰ দৰে বহল ক্ষেত্ৰলৈ অসমে আজি বিশ্ব মঞ্চত ইয়াৰ উপস্থিতি সজোৰে তুলি ধৰিবলৈ সক্ষম হৈছে।

(১১৪) ২৭,০০০ কোটি টকাৰ বিনিয়োগেৰে জাগীৰোডত টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প চলিত বৰ্ষত শুভাৰম্ভ কৰা হ'ব, যিটোৰ জৰিয়তে আমি ভৱিষ্যতলৈ অগ্ৰগামী হ'ব পাৰিম। আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অসমৰ বিনিয়োগ আৰু ঔদ্যোগিক বিকাশৰ যাত্ৰা 'চাহৰ পৰা (ছেমিকণ্ডাক্টৰ) চিপছ'লৈ আৰম্ভ কৰিছে। অসমৰ চাহৰ বিশ্ব স্বীকৃতিৰ লগতে ভাৰতৰ ইলেক্ট্ৰনিক্স আৰু চিপছ নিৰ্মাণৰ পৰিৱেশতন্ত্ৰলৈও অসম ভৱিষ্যতলৈ বৰঙণি আগবঢ়োৱা ৰাজ্য হিচাপে পৰিগণিত হ'ব।

(১১৫) আন এক ৰূপান্তৰকাৰী পদক্ষেপ হৈছে নামৰূপত ১২.৭ লাখ মেট্ৰিকটন ক্ষমতাসম্পন্ন ব্ৰাউনফিল্ড এম'নিয়া ইউৰিয়া প্ৰকল্প আৰু নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ প্ৰকল্প যিয়ে হেজাৰ হেজাৰ

কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব আৰু অসমৰ ঔদ্যোগিক অৰ্থনীতি আৰু অধিক ঊৰ্দ্ধগামী কৰিব।

(১১৬) আমাৰ ঔদ্যোগিক উত্থানৰ মূল ভেটি হৈছে 'এডভাণ্টেজ আছাম'। ই এনে এখন বাণিজ্যিক সন্মিলন, যিয়ে অসমৰ অৰ্থনৈতিক ভাগ্যক নতুনকৈ সংজ্ঞায়িত কৰিছে। এই সন্মিলনৰ মাধ্যমেৰে ২৯৬ খন বৃহৎ বুজাবুজি চুক্তিৰ দ্বাৰা আমি ৫.১৮ লাখ কোটি টকাৰ বিশাল বিনিয়োগৰ প্ৰতিশ্ৰুতি আদায় কৰিব পাৰিছো। একে সময়তে জিলাসমূহত ৬,৭৭৪ কোটি টকা মূল্যৰ ২,৫৯২ খন অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যমিতা (এম এছ ই) খণ্ডত বুজাবুজিৰ চুক্তি সম্পাদিত কৰিব পাৰিছো।

(১১৭) এই ঔদ্যোগিক পুনৰুজ্জীৱন প্ৰচেষ্টাই আমাৰ অৰ্থনীতিৰ পৰম্পৰাগত স্তম্ভসমূহতো গুৰুত্ব আৰোপ কৰিছে। অসম চাহ উদ্যোগ বিশেষ উদ্‌গনি আঁচনিৰ অধীনত (ATISIS) অৰ্থ'ড'ক্স চাহ উৎপাদনত উৎসাহ প্ৰদানৰ অৰ্থে ১,৯১৪ খন চাহ বাগিচালৈ ৩৯২ কোটি টকা প্ৰদান কৰা হৈছে।

(১১৮) যেতিয়া আমাৰ ঔদ্যোগিক খণ্ডত নতুন নতুন অভিলেখ সৃষ্টি হৈ আছে, আমাৰ গুৰুত্ব সদায় অসমৰ অৰ্থনীতিৰ ওপৰত নিবন্ধ হৈ আছে। পি এম কিষাণৰ অধীনত অসমৰ ১৮.৮৭ লাখ কৃষকলৈ ৪,৯৬৮ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হৈছে যিয়ে ২০২১ বৰ্ষৰ পৰা হিতাধিকাৰী অন্তৰ্ভুক্তিৰ সংখ্যা ৪৬ শতাংশ বৃদ্ধিৰ প্ৰতিফলন ঘটাইছে।

(১১৯) পি এম ফচল বীমা যোজনাৰ অধীনত খাৰিফ শস্যৰ ক্ষেত্ৰত সামৰি লোৱা কৃষকৰ সংখ্যা ২০২৩ চনৰ ৪.০৭ লাখৰ পৰা ২০২৫ চনত ৯.০৫ লাখ হৈ দুগুণতকৈ অধিক বৃদ্ধি পাইছে। এইক্ষেত্ৰত জিলা পৰ্যায়ৰ প্ৰদৰ্শনৰ বাবে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা হৈছে আৰু আমিও কৃষকৰ কিস্তি প্ৰতি হেক্টৰত মাত্ৰ ১০০ টকাতে সীমাবদ্ধ ৰাখিছো।

(১২০) আমাৰ চৰকাৰে ৰাজ্যখনৰ কৃষকসকললৈ প্ৰায় ৫,৫০০ কোটি টকা আদায় দি ২৬.১৯ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিছে। ১০০ কোটি

টকাৰে ১৭,৫৩৬ মেট্ৰিকটন সৰিয়হ ক্ৰয় কৰিছে আৰু ৮.২২ কোটি টকাৰে ৩,৭৯২.১৬ মেট্ৰিকটন মাকৈ (maize) ক্ৰয় কৰিছে। তদুপৰি ধান আৰু মাকৈৰ বাবে প্ৰতি কুইণ্টলত ২৫০ টকা অতিৰিক্ত ৰাজ্যিক ৰাজসাহায্য আগবঢ়াইছে আৰু সৰিয়হৰ বাবে প্ৰতি কুইণ্টলত ৫০০ টকা অতিৰিক্ত ৰাজ্যিক ৰাজসাহায্য আগবঢ়াইছে।

(১২১) মহোদয়, মৎস্য উৎপাদনৰ ক্ষেত্ৰত আমাৰ আত্মনিৰ্ভৰশীলতাৰ পৰিকল্পনাৰ লগত সংগতি ৰাখি অসমৰ মৎস্য উৎপাদন প্ৰায় ৮০ শতাংশ বৃদ্ধি কৰি অভিলেখ সংখ্যক ৫.২৯ লাখ মেট্ৰিকটনত উপনীত হ'বলৈ সক্ষম হৈছো।

(১২২) অসম আদৰ্শ গ্ৰাম যোজনাৰ অধীনত ২৫০ খন গাঁৱক আত্মনিৰ্ভৰশীল আৰু আধুনিক আন্তঃগাঁথনিসম্পন্ন আদৰ্শ গাঁৱলৈ ৰূপান্তৰ কৰাৰ কাৰণে ২৫৬ কোটি টকা ব্যয়ৰ বাবে অনুমোদন জনোৱা হৈছে।

(১২৩) প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত বিগত পাঁচ বছৰত ১৭,০৭,৯৮৭ লাখ গৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হৈছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰীয়াৰ অধীনত অসমে উত্তৰ-পূৰৰ শীৰ্ষ প্ৰদৰ্শনকাৰী ৰাজ্য হিচাপে স্থান লাভ কৰিছে, য'ত ১.৮২ লাখ গৃহত অনুমোদন জনোৱা হৈছিল আৰু ইয়াৰে ১.৩৭ লাখ গৃহ সম্পূৰ্ণ হৈছে।

(১২৪) পুনৰগঠিত বিতৰণ খণ্ড আঁচনি (Revamped Distribution Sector Scheme)ৰ অধীনত ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত বাকী থকা ১.৩০ লাখ পৰিয়াললৈ বিদ্যুৎ সংযোগ প্ৰদান কৰিবলৈ লোৱা হৈছে। আনহাতে বিভিন্ন চৰ অঞ্চলত গ্ৰীড সংযোগৰ কাম সম্পূৰ্ণ হোৱাৰ পথত।

(১২৫) আমাৰ চৰকাৰে প্ৰধানমন্ত্ৰী 'সূৰ্য্যঘৰ' আঁচনিৰ অধীনত ৪৫,০০০ টকা পৰ্যন্ত অতিৰিক্ত ৰাজসাহায্য প্ৰদানৰ জৰিয়তে ৩০০ মেগাৱাট মুঠ ক্ষমতাৰে ৯০,০০০ সৌৰ ছাদৰ ব্যৱস্থা ৰূপায়ণ কৰিছে।

(১২৬) অবিৰত তথা কঠোৰভাৱে নিয়ম বলবৎকৰণ আৰু আমাৰ বনৰক্ষীসকলৰ অদম্য সাহসৰ ফলস্বৰূপে আমি গঁড়ৰ চোৰাং চিকাৰ শূন্যলৈ নিবলৈ সক্ষম হৈছো।

(১২৭) মানুহ আৰু হাতী উভয়কে সুৰক্ষা প্ৰদান কৰিবলৈ আমি 'গজ মিত্ৰ' আঁচনিৰ অধীনত কৃত্ৰিম বুদ্ধিমত্তাসক্ষম কেমেৰা স্থাপনৰ ব্যৱস্থা কৰিছো। সমান্তৰালভাৱে আমি অনুকম্পামূলক সাহায্যৰ পৰিমাণ বৃদ্ধি কৰিছো। সেই অনুসৰি কোনো লোকে প্ৰাণ হেৰুওৱাৰ ক্ষেত্ৰত এককালীন সাহায্যৰ পৰিমাণ ৬ লাখ টকালৈ বৃদ্ধি কৰা হৈছে আৰু শস্য ক্ষতিৰ ক্ষেত্ৰত প্ৰতি বিঘা ভূমিৰ বিপৰীতে ক্ষতিপূৰণ ৭,৫০০ টকাৰ পৰা ৮,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

(১২৮) অমৃত বৃক্ষ আন্দোলনৰ জৰিয়তে অসমৰ জনসাধাৰণে এদিনতে ১.১১ কোটি গছপুলি ৰোপণ কৰি ১০ টা গীনিজ বিশ্ব অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছে। লগতে আমি বিভিন্ন বন সংমণ্ডলত ১৬০ হেক্টৰ ভূমিত নাৰ্চাৰী স্থাপন কৰিছো।

(১২৯) অসম ম'ডেলৰ অধীনত মিছন অমৃত সৰোবৰ হ'ল এক উল্লেখযোগ্য পদক্ষেপ। ই জল সংৰক্ষণক বহনক্ষম জীৱিকা সৃষ্টিৰ সৈতে সংমিশ্ৰণ ঘটাইছে। ৰাজ্যখনত লক্ষ্য নিৰ্ধাৰিত ২৬২৫ টা সৰোবৰৰ বিপৰীতে ২৯৬৩ টা সৰোবৰ খন্দা হৈছে। এই ক্ষেত্ৰত প্ৰতিটো সৰোবৰৰ গড় ব্যয় ২৪ লাখ টকাকৈ মুঠ আনুমানিক ব্যয়ৰ পৰিমাণ হ'ল প্ৰায় ৬৬২ কোটি টকা। ইয়াৰ উপৰি আমি অমৃত সৰোবৰ ২.০ মুকলি কৰিছো।

(১৩০) অসম জন বিশ্বাস বিধেয়ক, ২০২৫ ৰ অধীনৰ ১৬ খন আইনকে ধৰি প্ৰায় ৫০ খন আইনৰ সংশোধন ঘটোৱা হৈছে। ইয়াৰ দ্বাৰা সৰু সৰু অপৰাধৰ বাবে কাৰাদণ্ডৰ পৰিৱৰ্তে জৰিমনা আৰু দণ্ড আৰোপ কৰাৰ ব্যৱস্থা কৰি আইন মানি চলা ব্যৱস্থাটো সৰলীকৃত কৰা হৈছে। ই 'ইজ অৱ ডুয়িং বিজনেছ' ৰেংকিঙৰ ক্ষেত্ৰত অসমৰ উত্থানত অৰিহণা যোগাবলৈ সক্ষম হৈছে।

(১৩১) বিকেন্দ্ৰীকৃত ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু নিৰীক্ষণ ব্যৱস্থা (CPGRAMS) প্লেটফৰ্মৰ জৰিয়তে কেৱল ২০২৫ চনতে আমি ১২,০০০ ৰো অধিক অভিযোগ লাভ কৰিছিলো আৰু ইয়াৰে প্ৰায় ৮০% অভিযোগ তৰিৎ গতিৰে সমাধান কৰিছো।

(১৩২) ২০২৫ চনৰ জানুৱাৰী মাহত আমি ওজৰ-আপত্তি নিষ্পত্তিৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ ভিতৰতে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছো আৰু এই ক্ষেত্ৰত নাগৰিকৰ সন্তুষ্টিৰ হাৰ হ'ল ৬৮ শতাংশ।

(১৩৩) ডিব্ৰুগড়ক আমাৰ দ্বিতীয় ৰাজধানী হিচাপে উত্তৰণ ঘটাই, শিলচৰত মিনি সচিবালয় স্থাপন কৰি আৰু এক বৈপ্লৱিক সমজিলাৰ পদক্ষেপ আৰম্ভ কৰি আমি জনসাধাৰণ আৰু চৰকাৰৰ মাজৰ দূৰত্ব স্থায়ীভাৱে নোহোৱা কৰিবলৈ সক্ষম হৈছো।

(১৩৪) আমাৰ পঞ্চায়তসমূহৰ ঐতিহাসিক সীমা নিৰ্ধাৰণৰ জৰিয়তে আমি আমাৰ গাঁৱৰ সীমা পুনৰ নিৰ্ধাৰণ কৰিছো। ইয়াৰ দ্বাৰা প্ৰতিখন গাঁও, আঞ্চলিক আৰু জিলা পৰিষদত উন্নয়নৰ এক নিখুঁত ভাৰসাম্যতা বৰ্তাই ৰখাটো সুনিশ্চিত হৈছে।

## সিদ্ধিৰ পৰা সমৃদ্ধিলৈ...

(১৩৫) মাননীয় অধ্যক্ষ মহোদয়, আমি অসমৰ এই নতুন যুগৰ দুৱাৰদলিত থিয় দিওঁতে মই আগন্তুক দশকটোত এখন বিকশিত অসমৰ কথা কল্পনা কৰিছো, য'ত আজিৰ প্ৰতিটো সফলতাই অধিক সমৃদ্ধিশালী, সুৰক্ষিত আৰু স্বাৱলম্বী ভৱিষ্যতৰ ভেটি হৈ পৰে।

(১৩৬) মহোদয়, চৰকাৰী নিযুক্তি সম্পূৰ্ণ স্বচ্ছ আৰু ন্যায্য কৰাৰ দ্বাৰা আমি আমাৰ যুৱক-যুৱতীসকলৰ সৈতে এক নতুন আস্থা গঢ়ি তুলিবলৈ সক্ষম হৈছো। ইয়াক অধিক দৃঢ় কৰি আমি এক ৫ বছৰীয়া ভৱিষ্যৎ কৰ্মপন্থা যুগুত কৰিবলৈ এখন সমিতি গঠন কৰিছো, যাতে আমি আমাৰ যুৱক-যুৱতীসকলৰ বাবে সম্ভৱপৰ সৰ্বাধিক চৰকাৰী চাকৰি প্ৰদান কৰিব পাৰো।

(১৩৭) মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানে স্ব-নিয়োজনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভেটি হিচাপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ প্ৰাৰম্ভিক সফলতাৰ পিছত আমি কমেও আৰু ৫ লাখ যুৱক-যুৱতীক ইয়াৰ অধীনত সামৰি ল'বলৈ বিচাৰিছো। একে সময়তে তেওঁলোকৰ ব্যৱসায়ক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ আমি আমাৰ বৰ্তমানৰ হিতাধিকাৰীসকলক মুদ্ৰা আঁচনি (MUDRA), প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যসূচী আদিৰ লেখীয়া আঁচনিৰ সৈতে সংযোজন কৰিছো।

(১৩৮) নিযুক্তিনিৰ্ভৰ আন্তগাঁথনিৰ বিকাশ সাধনৰ লক্ষ্যৰে আমাৰ চৰকাৰে এক যুৱ শক্তিৰ দ্বাৰা পৰিচালিত পৰিবহণ আৰু যোগান ব্যৱস্থা সমৰ্থিত পৰিকাঠামো আৰু গুৱাহাটী, জাগীৰোড তথা পলাশবাৰীক সংযোগ কৰি দ্বৈত মহানগৰী উন্নয়নেৰে এক নগৰীয়া ঔদ্যোগিক কৰিড'ৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে।

(১৩৯) মহোদয়, পৰম্পৰাগত কল্যাণৰ বাহিৰলৈ গৈ জীৱনচক্ৰৰ দৃষ্টিভংগীলৈ আগবাঢ়ি নাৰী সবলীকৰণৰ দিশত অসমে ৰাষ্ট্ৰীয় আৰ্হিৰ নেতৃত্ব বহন কৰিছে।

(১৪০) অৰুণোদয় আঁচনিত সাহায্য বৃদ্ধি আৰু এই আঁচনিখন ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA), প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰীয়াৰ লেখীয়া প্ৰধান কল্যাণমূলক আঁচনিসমূহ আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা তথা অটল পেঞ্চন যোজনাৰ লেখীয়া বীমা আঁচনিসমূহৰ সৈতে একত্ৰিত কৰি 'অৰুণোদয় পৰিয়াল'ক শক্তিশালী কৰাৰ আমাৰ যি সংকল্প সেয়া অব্যাহত থাকিব।

(১৪১) মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান (এম এম ইউ এ)-ৰ অধীনত আমি 'লাখপতি বাইদেউ'ৰ প্ৰথম পৰ্যায় সম্পন্ন কৰাৰ পিছত এতিয়া দ্বিতীয় পৰ্যায় আৰম্ভ কৰিবলৈ আগবাঢ়িছো। যিসকলে তেওঁলোকৰ প্ৰাৰম্ভিক মূলধনৰ উৎপাদনশীল ব্যৱহাৰ প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব তেওঁলোকক দ্বিতীয় পৰ্যায়ত ২৫,০০০ টকাৰ সাহায্য প্ৰদান কৰা হ'ব।

(১৪২) ৰাজসাহায্যযুক্ত মূল্যত আমাৰ নাগৰিকসকলক প্ৰদান কৰা পুষ্টিজনিত সাহায্য ইমানেই সফল হৈছে যে আমাৰ নাগৰিকসকলে এতিয়া ৰাষ্ট্ৰীয় খাদ্য নিৰাপত্তা আইনৰ অধীনত বিনামূলীয়া চাউলৰ সমান্তৰালভাৱে অত্যাৱশ্যকীয় পুষ্টিকৰ উপাদানসমূহক অগ্ৰাধিকাৰ দিছে। তদুপৰি, এই সহায়ৰ সৈতে সৰিয়হৰ তেল যোগ কৰি আমি আমাৰ সংকল্প অধিক সুদৃঢ় কৰিব বিচাৰিছো।

(১৪৩) মই এই কথা উল্লেখ কৰিবলৈ পাই আনন্দিত হৈছো যে ‘নিযুত মইনা’ আঁচনিৰ সফল ৰূপায়ণৰ ফলত ২০২৩-২৪ বৰ্ষ আৰু ২০২৪-২৫ বৰ্ষৰ ভিতৰত ছাত্ৰীসকলৰ মাজত আধাতে বিদ্যালয় এৰা ছাত্ৰীৰ হাৰ ৮.২ শতাংশ হ্ৰাস পাইছে। সেইদৰে মাধ্যমিক পৰ্যায়ত ছাত্ৰীৰ মুঠ নামভৰ্তিৰ হাৰ ৪.২ শতাংশ বৃদ্ধি পাইছে আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত এই হাৰ ৭.৫ শতাংশ বৃদ্ধি পাইছে। এই উল্লেখযোগ্য সফলতাই আগন্তুক বছৰসমূহত ‘নিযুত মইনা’ আৰু ‘নিযুত বাবু’ আঁচনি দুখনৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত এক স্পষ্ট আৰু শক্তিশালী ভেটি স্থাপন কৰিছে।

(১৪৪) তদুপৰি, আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক কৃত্ৰিম বুদ্ধিমত্তা আৰু উদ্যোগ ৪.০ৰ অত্যাধুনিক দক্ষতাৰে সজ্জিত কৰি আমাৰ বিশ্ববিদ্যালয়সমূহক ভৱিষ্যতৰ কেন্দ্ৰস্থললৈ ৰূপান্তৰিত কৰিছো।

(১৪৫) অসম চৰকাৰে শিক্ষা (শিক্ষকৰ চাকৰিৰ প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠানৰ পুনৰ গঠন) আইন সংশোধন কৰিছে আৰু অধিসূচিত কৰিছে। এই প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ আৰু যোগ্য শিক্ষক বা টিউটৰসকলৰ চাকৰি প্ৰাদেশিকীকৰণত সহায়ক হোৱাকৈ এটা প’ৰ্টেল মুকলি কৰা হ’ব।

(১৪৬) আমাৰ শিক্ষাবিদসকলৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাৰ চিনস্বৰূপে আমি ‘গুৰুদক্ষিণা’ নামৰ আঁচনিখন ৰূপায়ণ কৰিবলৈ পৰিকল্পনা কৰিছো। আইন অনুসৰি যিসকল শিক্ষক আৰু টিউটৰৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিব পৰা নগ’ল, তেখেতসকললৈ এই আঁচনিৰ অধীনত এটা এককালীন সাহায্য আগবঢ়োৱা হ’ব। ইয়াৰ দ্বাৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকললৈ তেখেতসকলে আগবঢ়োৱা জীৱনজোৰা উৎসৰ্গীকৃত অৱদানক মৰ্যাদাসহকাৰে সন্মানিত কৰা হ’ব।

(১৪৭) অসম মালা ৪.০ মুকলি কৰাৰ লগে লগে পথ যোগাযোগ ব্যৱস্থা উন্নীত কৰি আমাৰ ৰাজ্যখনৰ জীৱনৰেখা শক্তিশালী কৰাৰ বাবে আমাৰ যি সংকল্প সেয়া অব্যাহত থাকিব।

(১৪৮) আমাৰ দীৰ্ঘম্যাদী পৰিকল্পনা হ'ল তেজপুৰ আৰু বাইহাটা চাৰিআলিৰ মাজত এক চাৰি লেনযুক্ত পথ, নগাঁও-মৰিগাঁও আৰু দৰং সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং, গুৱাহাটী বিমান বন্দৰৰ পৰা জাগীৰোডলৈ এলিভেটেড ক'ৰিডৰ আৰু গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ এক্সপ্ৰেছ ক'ৰিডৰ নিৰ্মাণ।

(১৪৯) অসমৰ নগাঁও, ডিফু, উমৰাংছ', মাজুলী আৰু মানাহত পাঁচটা নতুন বিমান বন্দৰ স্থাপনৰ সম্ভাৱনীয়তা অধ্যয়ন কৰি বিমান সংযোগ ব্যৱস্থা সম্প্ৰসাৰণৰ বাবে আমি ভাৰত চৰকাৰক অনুৰোধ জনাইছো।

(১৫০) মই জনাবলৈ পাই সুখী হৈছো যে ২০২৫-২৬ বিত্তীয় বৰ্ষত অৰ্থডক্স চাহৰ ৰপ্তানিৰ পৰিমাণ ৪০ মিলিয়ন কেজিৰে যথেষ্ট বৃদ্ধি পাইছে। এই সফলতাক স্বীকৃতি প্ৰদান কৰি আমি অৰ্থডক্স চাহক আমাৰ মুঠ ৰপ্তানিৰ আধা কৰি তোলাৰ লক্ষ্য লৈছো। আমি অৰ্থডক্স চাহ উৎপাদনৰ ৰাজসাহায্য প্ৰতি কেজিত ১০ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰিছো। ভৱিষ্যতে এই ৰাজসাহায্যৰ পৰিমাণ আৰু বৃদ্ধি কৰা হ'ব। ব্ৰিটেইন, ইউৰোপীয় ইউনিয়ন তথা আমেৰিকাৰ সৈতে হোৱা ভাৰতৰ নতুন মুক্ত বাণিজ্য চুক্তিৰ যোগেদি আমি বিশ্বৰ বজাৰসমূহ দখল কৰি অসমৰ স্থান সুদৃঢ় কৰিবলৈ বিচাৰিছো।

(১৫১) আমাৰ চাহ উদ্যোগৰ সমৃদ্ধি আমাৰ চাহ বাগিচাৰ শ্ৰমিকসকলৰ হাতলৈ যাব লাগিব; সেয়েহে, মই আনন্দেৰে জনাব বিচাৰিছো যে এই বছৰৰ ভিতৰতে চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে বৰ্ধিত মজুৰি ঘোষণা কৰিবলৈ আমি চাহ সংস্থাসমূহৰ সৈতে আলোচনা চূড়ান্ত কৰাৰ দিশত আগবাঢ়িছো।

(১৫২) প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি আমাৰ চাহ বাগিচাৰ ভাতৃ-ভগ্নীসকলে তেওঁলোকে বসবাস কৰা ভূমিত 'অনানুষ্ঠানিক বাসিন্দা' হিচাপে বাস কৰি আহিছে। মহোদয়, আমি ইতিহাস সলনি কৰিছো। Assam Fixation of Ceiling on Land Holdings (Amendment) Act, 2025ৰ জৰিয়তে আমি অসমৰ ৮০০ তকৈয়ো অধিক চাহ বাগানৰ

৩.৫ লাখ পৰিয়ালক স্থায়ী ভূমিৰ অধিকাৰ প্ৰদান কৰিব বিচাৰিছো। অহা মাৰ্চ মাহত চাহ বাগিচাৰ ভূমি পট্টা বিতৰণ আনুষ্ঠানিকভাৱে আৰম্ভ কৰিবলৈ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়া উপস্থিত থাকিব বুলি আমি আশা কৰিছো। ইয়াৰ জৰিয়তে তেওঁলোকৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আমাৰ দৃঢ় প্ৰতিশ্ৰুতি নিশ্চিত কৰিব।

(১৫৩) আনহাতে, ইয়াৰ ফলত চাহ বাগিচাৰ শ্ৰমিকসকলে প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ আঁচনিৰ অধীনত গৃহ লাভ কৰাৰ বাবে বিবেচিত হ'ব, ইয়াৰ দ্বাৰা তেওঁলোকৰ জীৱন-যাপনৰ মান উন্নত হ'ব।

(১৫৪) ২০২০-২১ বৰ্ষত খাৰিফ বিপণন ঋতু (কে এম এছ)ত ক্ৰয় কৰা ধানৰ পৰিমাণ আছিল ২.১১ লাখ মেট্ৰিক টন। প্ৰয়োজনীয় পৰিকাঠামো আৰু বিত্তীয় ব্যৱস্থা শক্তিশালী কৰাৰ পদক্ষেপসমূহৰ ফলত ক্ৰয় কৰা ধানৰ পৰিমাণ চাৰি গুণতকৈ অধিক বৃদ্ধি পাইছে। ২০২৪-২৫ৰ খাৰিফ বিপণন ঋতুত সংগৃহীত ধানৰ পৰিমাণ আছিল ৮.৫০ লাখ মেট্ৰিক টন। ইয়াৰ ফলত এই বছৰ আমাৰ কৃষকসকলে ন্যূনতম সমৰ্থন মূল্য হিচাপে ১,৯৫৫ কোটি টকা লাভ কৰিছে। উল্লেখ্য যে ২০২০-২১ৰ খাৰিফ বিপণন ঋতুত এই পৰিমাণ আছিল মাত্ৰ ৩৯৪ কোটি টকা। আমি অতিৰিক্ত ৰাজসাহায্য (top up subsidy)ৰ জৰিয়তে কৃষকসকলক সমৰ্থন আগবঢ়াই যাম। তদুপৰি, ধান, সৰিয়হ আৰু মাকৈ উৎপাদনত অসমক আত্মনিৰ্ভৰ কৰিবলৈ লক্ষ্য লোৱা হৈছে।

(১৫৫) মহোদয়, আমি নগৰ অঞ্চলত দৈনিক গড়ে ২৩.৮১ ঘণ্টা আৰু গ্ৰামাঞ্চলত ২৩.৪০ ঘণ্টাকৈ বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম হৈছো, যি ৰাষ্ট্ৰীয় গড় বিদ্যুৎ যোগান সময়তকৈ অধিক।

(১৫৬) যোৱা পাঁচ বছৰত আমি প্ৰায় ১,০০০ মেগাৱাট সেউজ শক্তি সক্ষমতা সংযোজন কৰিছো। তদুপৰি ৩,০০০ মেগাৱাট সৌৰ আৰু বেটাৰী সংৰক্ষণ প্ৰকল্প, ৪,৬০০ মেগাৱাট ক্ষমতাৰ চাৰিটা পাম্পড ষ্টোৰেজ প্ৰকল্প আৰু ৩,২০০ মেগাৱাট শক্তিসম্পন্ন অত্যাধুনিক তাপ বিদ্যুৎ প্ৰকল্প স্থাপন কৰি আছো। এই পদক্ষেপসমূহেৰে অসমক বিদ্যুৎ

উদ্বৃত্ত ৰাজ্য হিচাপে গঢ়ি তুলিব বিচাৰিছো, যাতে উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহ আৰু চুবুৰীয়া দেশসমূহলৈ অসমে বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম হয়।

(১৫৭) তদুপৰি, নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প আৰম্ভ হোৱাৰ দিশে আগবাঢ়িছে, যাৰ ফলত ৰাজ্যৰ মুঠ বিদ্যুৎ উৎপাদন ক্ষমতা ১,৩০০ মেগাৱাটলৈ বৃদ্ধি পাব।

(১৫৮) অসমক বিদ্যুৎ উদ্বৃত্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে লোৱা পদক্ষেপসমূহে অঞ্চলটোত তথ্য কেন্দ্ৰৰ বিকাশৰ বাবে এক শক্তিশালী পৰিৱেশ গঢ়ি তোলাত সহায় কৰিব। এই আধুনিক তথ্য কেন্দ্ৰসমূহ কৃত্ৰিম বুদ্ধিমত্তা অনুকূল, উচ্চ-ঘনত্বৰ বৈদ্যুতিক গোটৰ আন্তঃগাঁথনিযুক্ত আৰু ক্লাউড আৰু ছেমিকণ্ডাক্টৰ পৰিৱেশতন্ত্ৰক সহায় কৰিব পৰাকৈ উচ্চ ক্ষমতাসম্পন্ন।

## সামৰণিৰ প্ৰতিফলন

(১৫৯) মাননীয় অধ্যক্ষ মহোদয়, এই লেখানুদান বাজেটখন উত্থাপন কৰাৰ আগতে অসমৰ জনসাধাৰণে আমাৰ চৰকাৰৰ ওপৰত ৰখা আস্থা আৰু আমাক ৫ বছৰ সময় এক সুস্থিৰ কাৰ্যকাল প্ৰদান কৰাৰ বাবে মই এই সুযোগতে পুনৰবাৰ তেখেতসকললৈ ধন্যবাদ জ্ঞাপন কৰিছো। আমি আমাৰ সাধ্য অনুসৰি অসমৰ জনসাধাৰণক সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছো। এখন বিকশিত ৰাজ্যৰ লক্ষ্যত উপনীত হোৱাৰ দিশত গ্ৰহণ কৰা অবিৰত প্ৰচেষ্টাত সহযোগিতা কৰা এই সদনৰ সন্মানীয় সদস্যসকল, ৰাজ্য চৰকাৰৰ বিষয়া তথা কৰ্মচাৰীসকললৈ ধন্যবাদ জ্ঞাপন কৰিছো।

(১৬০) মহোদয়, এই লেখানুদান বাজেটখন উত্থাপন কৰাৰ আগতে সদনত মই অৱগত কৰিব বিচাৰিছো যে অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা আইন অনুসৰি বাজেটৰ সৈতে দাখিল কৰিবলগীয়া বিভিন্ন বিতং প্ৰতিবেদনসমূহ পূৰ্ণাংগ বাজেটখন উত্থাপন কৰাৰ সময়ত দাখিল কৰা হ'ব। এই লেখানুদানৰ উদ্দেশ্য হৈছে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰাৰম্ভিক মাহকেইটাত ব্যয়ৰ বাবে অনুমোদন বিচৰা, যাতে নিৰৱচ্ছিন্ন

ৰাজহুৱা সেৱা প্ৰদান, প্ৰতিশ্ৰুতিবদ্ধ দায়বদ্ধতাসমূহৰ সময়মতে নিষ্পত্তিৰ লগতে এই সদনে ইতিমধ্যে অনুমোদন জনোৱা উন্নয়নমূলক কামসমূহৰ মসৃণ ৰূপায়ণ নিশ্চিত কৰিব পৰা যায়।

(১৬১) মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰখনৰ অন্তিমখন লেখানুদান বাজেট উপস্থাপনৰ শেষ মুহূৰ্তত উপনীত হৈ বিগত সময়ছোৱাৰ পৰা বৰ্তমানৰ এই মুহূৰ্তলৈ এই সমগ্ৰ পৰিক্ৰমাটো মোৰ চকুৰ সন্মুখত ভাহি উঠিছে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বিশাল দৃষ্টিভংগী আৰু বিচক্ষণ নেতৃত্বত গঠিত আমাৰ চৰকাৰৰ যোৱা ৪ বছৰ ৭ মাহত প্ৰতিটো দিনতে আমি যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো, যিয়ে আমাৰ সোণসেৰীয়া এক ইতিহাস নিৰ্মাণ কৰিছিল, সেই ইতিহাস ভৱিষ্যতৰ সময়ে মনত ৰখাটো আমি বিচাৰো।

অধ্যক্ষ মহোদয়, আমি সচেতনভাৱে নৱ প্ৰজন্মৰ বাবে এক কৰ্ম সংস্কৃতিৰ সৃষ্টি কৰিছিলো, যিয়ে বহন কৰে আশা আৰু সমৃদ্ধিৰ বতৰা। মই আজি এই সদনৰ পৱিত্ৰ মজিয়াত থিয় হৈ অনুভৱ কৰিছো যে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া নেতৃত্বাধীন চৰকাৰখনে কৰা কামৰ খতিয়ান ইতিহাসে লওক। আমাৰ সংস্কৃতি, আমাৰ ইতিহাস জনগণ আৰু আমাৰ পৰম্পৰা ৰক্ষাৰ বাবে আমি যিখিনি আপ্ৰাণ প্ৰচেষ্টা কৰিছিলো, সেই প্ৰচেষ্টাৰ প্ৰকৃত মূল্যায়ন হওক।

(১৬২) যোৱা ৫ বছৰত আমি লক্ষ লক্ষ পুৰুষ-মহিলা, যুৱক-যুৱতীৰ সপোন আৰু আশা-আকাংক্ষাৰ মুখামুখি হ'লো। সেই সপোনক ১.৫৮ লাখৰো অধিক স্বচ্চ আৰু নিকা নিযুক্তি, অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি, মুখ্যমন্ত্ৰীৰ নিযুত মইনা, মুখ্যমন্ত্ৰীৰ বাবু আঁচনি, মুখ্যমন্ত্ৰী জীৱন প্ৰেৰণা আঁচনি, মুখ্যমন্ত্ৰী অনুপ্ৰেৰণা আঁচনি, মুখ্যমন্ত্ৰী এটি কলি দুটি পাত আঁচনি আদি অলেখ আঁচনিৰ জৰিয়তে বাস্তৱত ৰূপায়ণ কৰাৰ পণ ল'লো। অন্ত্যোদয়া আছিল আমাৰ সমাজৰ শেষৰজন ব্যক্তিৰ ওচৰলৈ যোৱাৰ এক পণ। আমি আৰ্তজনৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সমাজৰ শেষ প্ৰান্তত থকা

নিঃসহায়জনৰ ওচৰলৈকো আমাৰ সহায়ৰ হাত আগবঢ়াই দিলো। অসমৰ চাহক বিশ্ব দৰবাৰত উপনীত কৰা চাহ জনগোষ্ঠীৰ ভাই-ভনীসকলক ভূমিৰ অধিকাৰ প্ৰদানেৰে শ্ৰমৰ প্ৰকৃত মূল্য দিবলৈ চেষ্টা চলালো। পথাৰ আমাৰ, বজাৰ আমাৰ নীতিৰে আমাৰ অন্নদাতাসকলৰ লগত চৰকাৰখন থিয় হ'ল। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিটো পল-অনুপল ৰাজ্যৰ বিকাশৰ কামত ব্যৱহাৰ কৰিবলৈ চেষ্টা চলাইছে। আমি কৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈছো। কৰ্মকে আমি ধৰ্ম বুলি মানি লৈছো। তাৰ বাবে আমি আমাৰ সমস্ত শক্তি প্ৰয়োগ কৰিছো আৰু ৰাজ্যখনক এখন বিকশিত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ এক নতুন সংকল্প লৈ কাম কৰি গৈছিলো। আমাক আস্থা আৰু বিশ্বাসত লোৱা প্ৰতিগৰাকী নাগৰিকৰ ভৱিষ্যৎ শক্তিশালী কৰিবৰ বাবে আমি সেৱা আগবঢ়াইছিলো আৰু এই সেৱা আমৃত্যু অব্যাহত থাকিব।

গীতাত কৈছে—

*কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।*
*মা কৰ্মফলহেতুৰ্ভূৰ্মা তে সঙ্গোস্ত্বকৰ্মণি।।*

(১৬৩) আমি যোৱা ৫ বছৰ স্থবিৰতাৰ পৰা সক্ৰিয়তালৈ অসমৰ গৌৰৱময় ভৱিষ্যতৰ এক সুদৃঢ় ভেটি স্থাপন কৰিলো। অসমৰ জনসাধাৰণ আমাৰ অভিভাৱক। তেওঁলোকৰ প্ৰগতি আৰু উন্নতি আমাৰ মূল লক্ষ্য। আমি সকলোৰে মিলি নিশ্চিত কৰিম যে আমাৰ ৰাজ্যখনৰ এই সোণসেৰীয়া যাত্ৰাৰ কেতিয়াও সূৰ্যাস্ত নহয়।

(১৬৪) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শেৰে আৰু মা কামাখ্যাৰ আশীৰ্বাদেৰে আমি বিকশিত অসমৰ যাত্ৰাত আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰিছো। আশা কৰিছো ৰাজ্যখনৰ উন্নয়নৰ এই অনিৰুদ্ধ যাত্ৰা সদায় অগ্ৰগামী হ'ব।

(১৬৫) ৰাজ্যই জনমুখী শাসনৰ পাঁচ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত উদীয়মান আৰু আত্মবিশ্বাসী অসমৰ এই পৰিৱেশত মই ২০২৬-২৭ বৰ্ষৰ

লেখানুদান এই পৱিত্ৰ সদনত আগবঢ়াইছো আৰু লগতে ইয়াৰ অনুমোদন বিচাৰিছো।

*অসম আমাৰ ৰূপহী*
*গুণৰো নাই শেষ*
*ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।*

মাননীয় অধ্যক্ষ মহোদয়, ড° ভূপেন হাজৰিকাদেৱৰ এই প্ৰেৰণামূলক গীতৰ কলিৰে মই ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰাৰম্ভিক মাহবোৰৰ বিপৰীতে ৬২,২৯,৪৭৮.৩০ (বাষষ্ঠী লাখ উনত্ৰিশ হাজাৰ চাৰিশ আঠসত্তৰ দশমিক তিনি শূন্য) লাখ টকাৰ অনুদান মঞ্জুৰি বিচাৰি এই লেখানুদান উপস্থাপন কৰিব বিচাৰিছো যাতে সম্পূৰ্ণ বাজেট উপস্থাপন নকৰালৈকে চৰকাৰে নিজ কামসমূহ সুচলভাৱে চলাই যাব পাৰে।

দায়িত্বশীল বিত্তীয় ব্যৱস্থাপনাৰ সৈতে আমাৰ বিকাশৰ কাৰ্যসূচীত সমৰ্থন অব্যাহত ৰখা এই পৱিত্ৰ সদনৰ প্ৰজ্ঞাৰ প্ৰতি সম্পূৰ্ণ আস্থা প্ৰদৰ্শন কৰি মই এই লেখানুদান অনুমোদনৰ বাবে উপস্থাপন কৰিলো।

***জয় হিন্দ***

***জয় আই অসম***

| পৰিশিষ্ট-সংক্ষিপ্ত ৰূপৰ তালিকা | |
|---|---|
| এ এ এইচ আই আই | অসম উন্নত স্বাস্থ্যসেৱা উদ্ভাৱন প্ৰতিষ্ঠান |
| এ চি চি এফ | অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন |
| এ চি এছ | অসম অসামৰিক সেৱা |
| এ ডি বি | এছিয়ান ডেভেলপমেণ্ট বেংক |
| এ ই | অগ্ৰিম প্ৰাক্কলন |
| এ ই জি চি এল | অসম বিদ্যুৎ গ্ৰীড নিগম লিমিটেড |
| এ জি চি এল | অসম গেছ কোম্পানী লিমিটেড |
| এ এইচ এছ এছ পি | অসম স্বাস্থ্য ব্যৱস্থা শক্তিশালীকৰণ প্ৰকল্প |
| এ আই | কৃত্ৰিম বুদ্ধিমত্তা |
| এ আই এফ | বিকল্প বিনিয়োগ পুঁজি |
| এইম্চ | সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান |
| অম্ৰুট | পুনৰুজ্জীৱিতকৰণ আৰু নগৰীয়া ৰূপান্তৰৰ বাবে অটল মিছন |
| এ পি ডি চি এল | অসম শক্তি বিতৰণ কোম্পানী লিমিটেড |
| এ পি জি চি এল | অসম শক্তি উৎপাদন নিগম লিমিটেড |
| এ পি এছ | অসম আৰক্ষী সেৱা |
| আশা | স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্য কৰ্মী (আশা) |
| এ এছ টি চি | অসম ৰাজ্যিক পৰিবহণ নিগম |
| এ টি আই এছ আই এছ | অসম চাহ উদ্যোগলৈ বিশেষ উদগনি আঁচনি |
| এ টি পি অ' | অসম বাণিজ্য প্ৰসাৰ সংস্থা |
| এ ভি এফ ইউ | অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয় |
| এ ডব্লিউ চি | অংগনৱাড়ী কেন্দ্ৰ |
| এ ডব্লিউ এইচ | অংগনৱাড়ী সহায়কাৰী |
| এ ডব্লিউ ডব্লিউ | অংগনৱাড়ী কৰ্মী |
| বি ই | বাজেট প্ৰাক্কলন |
| বি অ' পি | সীমান্ত আৰক্ষী চকী |
| বি টি চি | বড়োলেণ্ড আঞ্চলিক পৰিষদ |
| বি টি আৰ | বড়োলেণ্ড আঞ্চলিক অঞ্চল |
| চি চি টি এন এছ | অপৰাধ আৰু অপৰাধী ট্ৰেকিং নেটৱৰ্ক আৰু পদ্ধতি |
| চি চি টি ভি | ক্ল'জ্ড চাৰ্কিট টেলিভিশ্যন |
| চি ডি | ঋণ জমাৰ অনুপাত |
| চি আই ডি এফ | নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি |

| | |
|---|---|
| চি এম এ এ এ | মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান |
| চি এম এছ জি ইউ ৱাই | মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা |
| চি এন জি | সংকুচিত প্ৰাকৃতিক গেছ |
| চি পি জি আৰ এ এম এছ | কেন্দ্ৰীয় ৰাজহুৱা অভিযোগ নিষ্পত্তি আৰু নিৰীক্ষণ ব্যৱস্থা |
| ডি বি টি | প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ |
| ডি এইচ এ চি | ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদ |
| ডি আই ডি এছ | প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিৰ বাবে ডিজিটেল আন্তঃগাঁথনি |
| ই এ পি | বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প |
| ই এছ আই চি | কৰ্মচাৰীৰ ৰাজ্যিক বীমা নিগম |
| ই ইউ | ইউৰোপীয় সংঘ |
| এফ এছ টি পি | অনাময় পৰিশোধন প্ৰকল্প |
| এফ ৱাই | বিত্তীয় বৰ্ষ |
| জেম | চৰকাৰী ই-বজাৰ (জেম) |
| জি আই | ভৌগোলিক সূচাংক |
| জি এম চি এইচ | গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল |
| জি পি ইউ | গ্ৰাফিক্‌ছ প্ৰক্ৰিয়াকৰণ গোট |
| জি এছ ডি পি | মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন |
| আই জি এন অ' এ পি এছ | ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি |
| আই জি এন ডব্লিউ পি এছ | ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনি |
| জাইকা | জাপান আন্তঃৰাষ্ট্ৰীয় নিগম সংস্থা |
| কে এ এ চি | কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ |
| কে এম এছ | খাৰিফ বিপণন ঋতু |
| এল এ চি | বিধান সভা সমষ্টি |
| এল ই ডি | আলোক নিৰ্গটিক ডায়ড্‌ |
| এম জি এনৰেগা | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন |
| এম অ' ইউ | বুজাবুজিৰ চুক্তি |
| এম আৰ আই | চুম্বকীয় অনুনাদ চিত্ৰায়ন (এম আৰ আই) |
| এম এছ এম ই | অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ |
| এম এছ পি | ন্যূনতম সমৰ্থন মূল্য |
| এম ইউ ডি আৰ এ | ক্ষুদ্ৰ গোট উন্নয়ন আৰু পুনৰ বিত্তীয় সাহায্য সংস্থা |

| | |
|---|---|
| এম ডব্লিউ | মেগাৱাট |
| এম ডব্লিউ পি | সৰ্বোচ্চ মেগাৱাট |
| নাবাৰ্ড | ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক |
| এন ডি ডি বি | ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ |
| এন এফ ডি বি | ৰাষ্ট্ৰীয় মীন উন্নয়ন পৰিষদ |
| এন এফ এছ এ | ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন |
| এন এইচ | ৰাষ্ট্ৰীয় ঘাইপথ |
| এন অ' চি | আপত্তিবিহীন প্ৰমাণপত্ৰ |
| এন আৰ এল | নুমলীগড় শোধনাগাৰ লিমিটেড |
| অ' বি চি | অন্যান্য পিছপৰা শ্ৰেণী |
| অ' ডি অ' পি | এখন জিলা একক উৎপাদন |
| অইল | অইল ইণ্ডিয়া লিমিটেড |
| পি এম এ ৱাই | প্ৰধানমন্ত্ৰী আৱাস যোজনা |
| পি এম-কিষাণ | প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি |
| আৰ ডি এছ এছ | নৱীকৃত বিদ্যুৎ বিতৰণ খণ্ড আঁচনি |
| আৰ আই ডি এফ | গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি |
| আৰ অ' বি | ৰে'লপথৰ ওপৰত নিৰ্মিত পথ সেতু |
| এছ এইচ জি | আত্মসহায়ক গোট |
| এছ পি এছ ই | ৰাজ্যিক ৰাজহুৱা খণ্ডৰ ঔদ্যোগিক প্ৰতিষ্ঠান |
| এছ টি ই এম | বিজ্ঞান, প্ৰযুক্তি অভিযান্ত্ৰিক আৰু গণিত |
| এছ টি পি | পয়ঃপ্ৰণালী নিষ্কাশন প্ৰকল্প |
| স্বামিত্ব (এছ ভি এ এম আই টি ভি এ) | গাঁওসমূহৰ জৰীপ আৰু উন্নয়ন প্ৰযুক্তিৰে গাঁও অঞ্চলৰ মেপিং কৰা |
| টি পি ডি | টন প্ৰতিদিনে |
| টি-ভি ই টি | কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ |
| ইউ কে | যুক্তৰাজ্য |
| ইউ আই ডি এফ | নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজি |
| ইউ এল বি | নগৰীয়া স্থানীয় নিকায় |
| আলফা | সংযুক্ত মুক্তি বাহিনী, অসম |
| ইউনেস্ক' | ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা |
| ইউ এছ এ | আমেৰিকা যুক্তৰাষ্ট্ৰ |

Printed at the Assam Government Press,
Bamunimaidam, Guwahati-21, 2026

सत्यमेव जयते
Government of Assam

# VOTE ON ACCOUNT

# ASSAM BUDGET

## 2026-2027



SPEECH OF

**SMTI. AJANTA NEOG**

FINANCE MINISTER, ASSAM

17 FEBRUARY, 2026

**Hon’ble Speaker Sir,**

1. Five years ago, under the dynamic leadership of the Hon’ble Chief Minister Dr. Himanta Biswa Sarma, I began a historic journey as the first woman Finance Minister of Assam, with a great honour and deep humility in my heart.

2. I presented the five full budgets of our Government, guided by the ideals of Pandit Deendayal Upadhyaya’s Integral Humanism and Dr. Shyama Prasad Mukherjee’s cultural nationalism, sowing the seeds of a firm, steadfast, and progressive Assam. The aim was to fulfil the hopes and aspirations of the sons of the soil and the indigenous people, and to create a new chapter in the history of a developed and self-reliant Assam.

3. I presented my first budget amidst the unprecedented crisis of COVID-19, guided by the compassion of a mother’s heart. In those dark hours, when our economy was strained and our people faced immense hardship, my only focus was to provide a healing touch and lay a strong foundation for our future.

4. Giving priority to the Honourable Prime Minister’s vision of “*Sabka Saath, Sabka Vikas, Sabka Vishwas, Sabka Prayas,*” our government embarked on a journey of transformation with the firm resolve to build a developed and self-reliant Assam. In our policy-making,

we accorded due importance to Assamese identity, national culture, linguistic heritage, and the eternal rights of the indigenous sons of the soil over their land and roots.

5. Today, I stand in this august House not merely to seek approval for expenditure, but to speak about a transforming Assam. This five-year journey reminds us of the immortal dream of *Sudhakantha*, Bharat Ratna Dr. Bhupen Hazarika. Decades ago, he sang:

জিলিকাব লুইতৰে পাৰ,

এন্ধাৰৰ ভেটা ভাঙি

প্ৰাগজ্যোতিষত বয়

জেউতি নিজৰাৰে ধাৰ।

I humbly submit that we have moved steadily in the direction of turning that song into reality. Darkness has given way to a developed Assam, where every citizen is a companion in our journey of progress.

6. At the very outset, I express my heartfelt gratitude to our guide, Hon'ble Prime Minister Shri Narendra Modi Ji. His special affection towards Assam and his unwavering support have propelled us forward on the path of *Viksit Assam*.

7. I extend my heartfelt gratitude to the Hon'ble Chief Minister, Dr. Himanta Biswa Sarma, for his inspiring leadership in guiding us on this journey to fulfil the hopes and aspirations of the people.

8. I express my sincere thanks to all our alliance partners, my colleagues seated in the Opposition benches, and especially to the people of Assam, for their continuous support, trust, and guidance to this government.

***Economic transformation (Arthik Navoday)***

9. Sir, the foundation of the remarkable progress achieved over the last five years rests on prudent fiscal management, improved compliance, and sustained efforts to strengthen the State's own resource mobilisation.

10. I am honoured to share the good news with this August house that the 16th Finance Commission has recognised our exceptional performance in fiscal parameters in the last 5 years by increasing Assam's inter-se share to 3.258%, arresting the downward trend seen in recent years. This has improved Assam's position and will result in an unprecedented devolution above Rs.50,000 crore in the upcoming year itself.

11. While the global economy faced headwinds, Assam emerged as India's growth engine. As per the Reserve Bank of India (RBI)'s latest assessment, Assam has emerged as India's fastest-growing state. At constant prices, the State's Gross State Domestic Product expanded by 45% between FY 2019-20 and FY 2024-25, significantly outperforming the national average growth of 29%.

12. Our Gross State Domestic Product (GSDP) at current prices is projected to rise from Rs.4,10,724 crore in FY 2021–22 to Rs.7,45,293 crore in FY 2025–26 (AE), reflecting a staggering growth rate of over 17%. I am happy to announce that the Economic Survey of Assam has projected a growth rate of 16.93%, with the Gross State Domestic Product estimated at Rs.8,71,451 crore for FY 2026–27.

13. With this growth momentum, the State is poised to become a ten-lakh-crore (one-million-crore) economy by 2028, well ahead of our commitment to achieve it by 2030.

14. This economic expansion is also translating into higher incomes for our people. I am proud to share that the per-capita income (at current prices) of Assam has more than doubled, from Rs.86,947 in FY 2020-21 to Rs.1,85,429 in FY 2025-26, representing an increase of 113%.

15. Between FY 2020-21 and FY 2024-25, our 83% growth in per-capita income has made us the fastest-growing State in the country in terms of per-capita income, clearly demonstrating that our growth is reaching people's lives, not just economic reports.

16. The most significant indicator of our economic growth is our Own Tax Revenue, which has grown at an average rate of 13% in the last five years. Overall, Own Tax Revenue increased by 75% from Rs.17,134 crore in FY 2020-21 to Rs.30,052 crore in FY 2024-25.

17. Historically, many Northeastern states have relied heavily on Central Devolution and Grants-in-Aid. As our Own Source Revenue now accounts for 37% of total revenue receipts, up from 30% in FY 2015-16, it has reduced our dependence on central transfers and ensures a stronger, self-sustaining internal economy.

18. With stronger revenues and improved fiscal management, the scale and effectiveness of public spending have expanded significantly. The size of our Budget has more than doubled from Rs.72,573 crore in FY 2015-16 to Rs.1,55,985 crore in FY 2025-26 (BE), which will touch Rs.2 lakh crore in revised estimates.

19. For decades, budgets in Assam were mere wish-lists where money remained trapped in files. In FY 2015-16, our budget utilization was a stagnant 58%. We have shattered that culture of delay and administrative inertia. We have moved from 58% budget utilisation in FY 2015-16 to record budget utilization of 85% in FY 2024-25.

20. Importantly, this expansion has been accompanied by a decisive shift towards productive spending. Capital expenditure has risen over eight times, from Rs.2,951 crore in FY 2015-16 to Rs.26,409 crore in FY 2024-25, reflecting a massive growth of 795%.

21. This capital push has been further supported by the Government of India. Assam has been one of the major beneficiaries under the scheme for *Special Assistance to States for Capital Investment*, receiving over

Rs.25,000 crore during the last five years. In this context, I express my sincere gratitude to Hon'ble Union Finance Minister Nirmala Sitharaman Ji for her continued encouragement and support in accelerating Assam's economic and fiscal transformation.

22. While capital spending has expanded, borrowing has been managed prudently. Since FY 2021-22, Assam has undertaken cumulative capital expenditure of Rs.1,04,896 crore[1], while the increase in outstanding debt has been Rs.84,037 crore, indicating that borrowings have been largely channelled towards asset creation.

23. State's Debt-to-GSDP ratio[2] stands at 25.52% in FY 2024-25 today, placing Assam at 21st position among 28 States, thereby reflecting a sustainable and controlled debt trajectory within permissible fiscal norms.

24. In addition to budgetary resources, Assam has effectively leveraged Externally Aided Projects (EAP) to augment public investment. The size of ongoing EAPs has increased substantially from projects worth around Rs.15,000 crore in 2021 to about Rs.56,000 crore at present, spanning a wide range of sectors.

25. Complementing public investment, institutional credit flow within the State has also strengthened. The Credit–Deposit (CD) ratio increased from 56.09% in March 2021 to 74.48% in December 2025[3], reflecting improved deployment of bank deposits within Assam.

---

1 till 31st January 2026

2 Outstanding debt excludes Reserve Funds, Deposit and Advances, Contingency Funds

3 Source: State Level Bankers' Committee (SLBC) reports

26. This is reflected in priority sector advances of Rs.3,69,343 crore since FY 2021-22, supporting agriculture, MSMEs and allied activities, and reinforcing inclusive growth.

27. Sir, we are not just a Government that spends; we are a Government that builds wealth. Today, the combined assets of our Public Sector Enterprises exceed a staggering Rs.35,000 crore[4].

28. Our strategic investment in Numaligarh Refinery Limited, recently accorded *Navaratna* status, continues to strengthen, with the value of the State Government's stake now exceeding Rs.5,100 crore.

29. We have fortified Assam with a financial shield of nearly Rs.10,000 crore[5], held within our Sinking and Redemption Funds (Consolidated Sinking Fund/ Guarantee Redemption Fund/AIFA Sinking Fund, etc.).

30. With record cash reserves and a robust resource base, we have moved from a state of 'Survival' to a state of 'Sovereign Strength'.

***Atal Avichal Agragami Asom***

31. Sir, a defining achievement of the last five years has been the restoration of peace and stability across the State. Gone are the days of fragility and hesitation. Today, the world sees a new Assam—a state that stands *Atal* (firm) in safeguarding our identity, culture and civilisational values; remains *Avichal* (uncompromising)

---

[4] Source : CAG Report on State PSEs, 2023-24

[5] till November 2025

in preserving peace and harmony, and sprints forward as an *Agragami* (forward looking) force in *Viksit Bharat*, on the path of inclusive growth.

32. Together with the Government of India, our Government has secured four historic peace accords with ULFA, Karbi, Adivasi and the DNLA groups — paving the way for enduring peace, stability, and integration. I sincerely thank Hon'ble Union Home Minister Shri Amit Shah Ji for playing an instrumental role in this development.

33. In the Union Budget 2026–27, the Government of India has earmarked Rs.500 crore as the first tranche of a Rs.5,000 crore special development and rehabilitation package under the 2023 peace accord with the United Liberation Front of Asom (ULFA). This is to support projects aimed at sustainable livelihoods, reintegration and long-term peace in Assam.

34. Under the Memorandum of Settlement, our Government has committed Rs.3,000 crore from its own resources toward infrastructure and development projects linked to the ULFA peace agreement, complementing the Central support.

35. Since 2021, sustained peace efforts in Assam have led to a total of 9,022 former cadres depositing 1,012 sophisticated weapons.

36. Over the past five years, our Government has rehabilitated these misguided youths under the Surrender-cum-Rehabilitation framework, providing

financial support packages that include Rs.4 lakh fixed deposits and monthly stipends, along with assistance for livelihood activities.

37. Since our Government assumed office, Assam has made decisive progress in resolving long-standing border disputes and strengthening regional harmony by signing the inter-state Boundary arrangements with Meghalaya (2022) and Arunachal Pradesh (2023).

38. Our commitment to restore peace and normalcy within Assam is clearly reflected in the rollback of the Armed Forces (Special Powers) Act. Once covering the entire State, its application has been reduced today to only three districts.

39. Through sustained and lawful action against encroachment, we have recovered approximately 1.45 lakh bighas of government land for public use and future development.

40. In the last five years since 2021, Assam has made over 24,000 drug-related arrests and seized drugs worth more than Rs.3001 crore, over seven times the recoveries made between 2011 and 2015.

41. Our Government has raised 5 new Commando Battalions, recruited 22,606 Police personnel and other staff in the last 5 years and promoted 43,697 personnel, steadily moving towards a fully professional zero vacancy force.

42. We have established a premier training institution Lachit Barphukan Police Academy, the new Commissioner of Police office in Guwahati, 2 new District Jails in Bodoland Territorial Region, and constructed/ modernised 112 police stations under the MOITRI (Mission for Overall Improvement of Thanas for Responsive Image) scheme with the aim of creating public-friendly, professional police.

43. Assam ranked first in the country in implementing the new criminal laws, including the *Bharatiya Nyaya Sanhita*, achieving an implementation score of around 78.13%, well above the national average of 53.69%[6].

44. A multi pronged campaign against the social menace of child marriage involved strict enforcement of the Prohibition of Child Marriage Act, proactive police action and community awareness alongside schemes like *Mukhya Mantrir Nijut Moina*.

45. Our resolve to protect the woman's dignity and strengthen her rights is further continued with passing the Assam Prohibition of Polygamy Act, 2025, a decisive reform reflecting our commitment to justice within the home.

46. These efforts have created a safer, more stable Assam, where peace is not temporary, but the foundation for lasting development. As our Hon'ble Chief Minister said at Davos, Assam is moving *"from guns to (semiconductor) chips"*— সংঘাতৰ পৰা সুযোগলৈ, অস্থিৰতাৰ পৰা উদ্ভাৱনলৈ।

---

[6] Source: Ministry of Home Affairs assessments

**Resolve to Realisation (*Sankalpor pora Siddhi loi*)**

47. Sir, the budgets I have presented in the last 5 years, were far more than a mere financial statement; they were a solemn commitment to building a Resilient Assam and I can say with humble pride that we have fulfilled our commitments through multiple social sector Flagship schemes and assistance, ensuring inclusive growth.

*48.* *Orunodoi* is our Government's promise in action. We expanded its coverage from 19 lakh families at the launch in 2021, to nearly 40 lakh *Orunodoi poriyal*s today, including *Divyangjan*, transgender persons, and other vulnerable groups, making it the largest social assistance programme in the history of Assam.

49. Under the *Mukhyamantri Mahila Udyamita Abhiyaan*, we have empowered over 30.63 lakh eligible women by providing Rs.10,000 as seed capital, per SHG member. Today, I am proud to present that 8.80 lakh *Lakhpati Baideo* are the engines driving our rural economy.

50. Our Government provided Rs.2,304 crore as incentive and relief to 12.71 lakh small borrowers, under the Assam Microfinance Incentive and Relief Scheme (AMFIRS) 2021, breaking the chains of debt that had stifled our villages for decades.

51. To commemorate 200 years of "Assam Tea", our Government launched the *Mukhya Mantrir Eti Koli, Duti Paat*, extending a one-time assistance of Rs.5,000 to

over 6 lakh tea garden workers and employees, with a total outlay of Rs.342 crore.

52. Sir, they mocked us when we promised 1 Lakh Government Jobs. Today, I place on record that we have not just met that target; we have crushed it, by providing over 1.58 lakh appointments, transparently.

53. Through the flagship scheme of our Government - Chief Minister's *Atmanirbhar Asom Abhijan* (CMAAA), we have provided financial assistance of Rs.1 lakh per beneficiary to more than 25,000 beneficiaries and Rs.2.5 lakh to 221 professional category beneficiaries, and further providing 75,000 beneficiaries the total financial assistance of approx. Rs.750 crore.

54. Being sensitive to the needs of the vulnerable sections of our society, we have enhanced the Old Age Pension from Rs.250 to Rs.400 and Widow Pension from Rs.300 to Rs.1250, supporting 8,06,170 beneficiaries under the National Social Assistance Program.

55. Additionally, we have brought the old age pension to 11,59,137 beneficiaries under the *Swahid Kushal Konwar Sarbajanin Briddha Pension Achoni* (SKKSBPA) at par with *National Old Age Pension Scheme*.

56. Securing the basic right to food, we have woven a massive safety net covering 70.71 lakh families, and providing free rice to a population of over 2.49 crore citizens under the NFSA and PM *Garib Kalyan Anna Yojana.*

57. Under the ongoing drive for inclusion of 5.04 lakh new beneficiaries, we have already added more than 65 lakh beneficiaries and issued over 14.60 lakh new ration cards in just 5 years.

58. We aren't just filling stomachs; we are also nourishing the lives of our people. By providing *Masur Dal*, Sugar, and Salt at a highly subsidized combined price of just Rs.100, we have strengthened nutritional support further.

59. Our targeted public health initiatives have led to a 44% decline in Maternal Mortality Ratio (MMR)[7] in just three years, one of the highest reductions in the country. The efforts are also reflected in our Infant Mortality Rate improving nearly at twice the national pace; and institutional deliveries[8] reaching 97% in 2024–25.

60. Our Government has supported 1.16 lakh pregnant women in tea garden areas with Rs.15,000 each under Tea Garden Wage Compensation Scheme, disbursing approx. Rs.120 crore.

61. Under *Ayushman Asom – Mukhya Mantri Jan Arogya Yojana*, over 7.17 lakh beneficiaries received cashless treatments in the last 5 years, which resulted in household savings of Rs.1258 crore.

62. Sir, in just four years, we have doubled our medical colleges from 7 to 14, and are currently investing Rs.5,500 crore to build 10 more medical colleges, which will add 4,500 beds to our healthcare system.

---

[7] Source : SRS (2018-2020) to SRS (2021-2023)

[8] Source : HMIS

63. Under the Assam Advanced Healthcare Innovation Institute (AAHII) prototype of indigenous Surgical Robot and Low Field MRI have been developed. We are also investing Rs.500 crore to install a Proton Therapy machine at GMCH.

64. In a historic partnership with Tata Trusts, we have established the Assam Cancer Care Foundation (ACCF), creating South Asia's first and largest three-tier cancer care network, bringing world-class cancer care to our own districts.

